চান্দমামা

অগাস্ট ১৯৮৭



"অলপ সময় লৈ ভাবি-চিন্তি আজি
তাৰে তোমাৰ খেলাঘৰ লোৱা ভাই আজি!"
-ফেভিফেইৰী
লৰা-লৰিকৈ কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকে মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো নহয়
হাত বহি গৈ শেষত হবগৈ
এজনা ভাঙৰ যন্ত্ৰবিদ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ঘৰ, চৰাই, ঘোৰা, হাতী,
বাঘ আৰু কত'যে কি।
ঘৰ, আলমাৰী, চকী-মেজ
য'তেই লগোৱা
জোৰা হব বহুত কঠিন
টিকেও বহু বেছি দিন।
নিখুঁত হৈ ৰব' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।
পখিলা এটি ধাপে ধাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: "ফেভি ফেইৰী", পোষ্ট বক্স ১১০৮৬, বোম্বাই ৪০০ ০২৩।
ফেভিকল এম-আৰ
চিন্থেটিক এধেচিভ
FEVICOL
উত্তম বস্তু গঢ়িবলৈ হলে উত্তম বস্তুৰেই জোৰা দিব লাগে!
বোম্বাই ৪০০ ০২১-ৰ ৰেজিষ্টাৰ্ড ট্ৰেডমাৰ্ক।
OBM 1214 AS

দিনটো আৰম্ভ হওক সুখত সজীৱ আমেজ লৈ মুখত!
াৰমেন্ট আৰু
য়াৰমেন্টৰ সতেজ সজীৱ
মজ। বঢ়িয়া ফৰ্মূলাৰ
মুখতে বিয়পি পৰা ফেনেৰে
চিকচিকীয়াকৈ
ষ্কাৰ কৰে, নিশ্বাসত
ধ সুগন্ধ।
ন পণ্ডচ টুথপেষ্টৰে দাঁত
বলৈ অকণো আমনি
গে, বৰং ভালহে লাগে।
চাব, সৰু সৰু ল'ৰা-
ছোৱালীয়ে এই টুথপেষ্টৰে
দাঁত ঘঁহিবলৈ বৰ ভাল পাব।
আজিয়েই নতুন পণ্ডচ
টুথপেষ্ট কিনক।
আপোনাৰ জীৱনৰ
প্ৰতিটো পুৱা হৈ
উঠক সুন্দৰ,
সাৰ্থক।
Pond's
TOOTHPASTE
Pond's
TOOTHPASTE
বিশেষ উপাদান থকাত ফেনবোৰ দ্ৰুত বিয়পি পৰে।
শক্তিশালী ফেনত ...
... বৰ সহজেই দাঁতৰ মৱলা আৰু লুকাই থকা খোৱাবস্তুৰ টুকুৰা
চাফা কৰি দি দাঁত সুস্থ আৰু চিকমিকীয়া কৰি তোলে।
নতুন
পণ্ডচ
টুথপেষ্ট
সুস্থ সবল ৰাখে দাঁত, সুৰভিত সতেজ নিশ্বাস

গৌতম গোস্বামী
৩/৯/৮৭

চান্দমামা

অগাস্ট ১৯৮৭

এই সংখ্যাত আছে

চান্দমামাৰ সম্বাদ-বি-সম্বাদ	:	৯
শল	:	১০
মানৰতা	:	১১
বাজিৰ বাৰভৈচালি	:	১৬
জ্বালাদ্বীপ	:	১৯
আত্মস্বাৰ্থ	:	২৭
নিযুক্তিৰ যুক্তি	:	৩৩
আমাৰ দেশৰ বিচিত্ৰ কথা	:	৩৫
উপহাৰ	:	৩৯
গৰজ	:	৪২
উত্তৰ-ৰামায়ণ	:	৪৩
সুৰাৰ বুদ্ধি	:	৫১
আৰজ	:	৫৪
উপকাৰ-প্ৰত্যুপকাৰ	:	৫৫
বক্ৰপৰা বাজি	:	৬০
প্ৰকৃতিৰ বিস্ময়	:	৬৩

খনে : ১·৫০ পইচা মাথোন * বছৰেকীয়া বৰঙনি : ৩০·০০ টকা মাথোন

এয়া চাওক চান্দমামাই পাতিছে

মহান ভাৰতীয় পৰম্পৰা প্ৰতিযোগিতা

উত্তেজনাৰে ভৰপুৰ ৩ ভাগত ভগোৱা ঃ

প্ৰতিযোগিতা-১

মহান ভাৰতীয় ৰজা

প্ৰতিযোগিতা-২

মহান ভাৰতীয় ৰাণী

প্ৰতিযোগিতা-৩

মহান ভাৰতীয় দম্পতী

১১টি ভাষাৰ প্ৰতিটিৰ বাবে সুকীয়াকৈ প্ৰতিযোগিতা কৰি বিৰাট পুৰস্কাৰ লাভ কৰক

১১টি প্ৰথম পুৰস্কাৰ ঃ ২০০০ টকীয়া বৃত্তি
১১টি দ্বিতীয় পুৰস্কাৰ ঃ ১০০০ টকীয়া বৃত্তি
১১টি তৃতীয় পুৰস্কাৰ ঃ ৫০০ টকীয়া বৃত্তি

২২ টি সান্ত্বনা পুৰস্কাৰ ঃ এবছৰৰ বাবে বিনামূলীয়াকৈ 'চান্দমামা'!

প্ৰতিযোগিতাৰ বিশদ বিবৰণৰ বাবে চান্দমামা ছেপ্‌টেম্বাৰ সংখ্যা চাওক। তিনিওটা পৰম্পৰা প্ৰতিযোগিতালৈ যোগদান কৰক আৰু বাম্পাৰ প্ৰাইজ জিকি লওক!

লগতে ঃ বাম্পাৰ প্ৰাইজ !

(কেৱল তিনিওটা প্ৰতিযোগিতাত যোগদানকাৰীসকলৰ বাবে)

প্ৰথম বাম্পাৰ ঃ ১০০০০ টকীয়া বৃত্তি *
দ্বিতীয় বাম্পাৰ ঃ ৫০০০ টকীয়া বৃত্তি *
তৃতীয় বাম্পাৰ ঃ ২৫০০ টকীয়া বৃত্তি *

* ৫ বছৰজোৰা ৫টা সমান কিস্তিত দিয়া হ'ব

HTA 7076



মনটোয়ে বেয়া বাবলুৰ আমাৰ
খেলা-ধুলা নহলে নচলে তাৰ
ৰোগৰ চিকাৰ হয়যে সি
সখীহঁত নাহে ওচৰ চাপি !

এনে সময়ত এক' কামতে আহে
লগে লগে সি আঁকাত লাগে
১২ বিধ ৰঙত আঁকে ভাটৌ, বান্দৰ,
বাবলু আনন্দিত হয় তাকে দেখি !

হালধীয়া, কমলা, বেঙুনীয়া, ক'লা
গুলপীয়া, ভায়োলেট, বাদামী, ৰঙা
সেউজীয়া, নীলা চব ৰঙেই পাবা
অতি ভাল স্কেচ পেন এক'হে লবা!

এক'
স্কেচ পেন ৰঙৰ মজা ! আঁকা-আঁকিৰ ৰজা !

...চিশান ৰাইটিং পইণ্টচ প্ৰাঃ লিঃ. ১৮, সুভাষ ৰোদ. ভিলে পার্লে (পূব) বোম্বাই-৪০০ ০৫৭ ফোন : ৬০৪০৩০৫, ৬০৪৩৫৫৬.



...ikaya-E-3-86-ASM

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

বিশেষ কথা (১)ঃ 'চান্দমামা'ৰ গ্ৰাহক হ'বলৈ হ'লে বছৰেকীয়া বৰঙণিৰ টকা চান্দমামাৰ মাদ্ৰাজস্থিত ঠিকনালৈ পঠাব লাগিব; ফটো নামকৰণ-প্ৰতিযোগিতাৰ ঠিকনালৈ কোনো ধৰণৰ টকা-পইচা নপঠাব। বছৰৰ যিকোনো মাহৰেপৰাই চান্দমামাৰ গ্ৰাহক হ'ব পাৰি। (২) চান্দমামাৰ ফটো-নামকৰণ প্ৰতিযোগিতালৈ যোগদান কৰাত বয়সৰ বাধা-নিষেধ নাই; কিন্তু প্ৰতিযোগীয়ে বয়সৰ উল্লেখ কৰিব লাগিব। প্ৰতিযোগীৰ ঠিকনা সম্পূৰ্ণকৈ আৰু সুস্পষ্টকৈ অসমীয়া বা ইংৰাজীত লিখি পঠাব লাগিব।

অমৰ-বাণী

গুণেষু ক্ৰিয়তাম্ যত্নঃ কিমাটোপৈঃ প্ৰয়োজনম্।
বিক্ৰীয়ন্তে ন ঘণ্টাভিৰ্গাবঃ ক্ষীৰবিবৰ্জিতাঃ॥

[চৰ্চা কৰিহে সদ্‌গুণক সমৃদ্ধ কৰিব লাগে। কেৱল দেখন-দৰ্পণে ধুনীয়াটি হ'লেই নহ'ব। গাখীৰ নিদিয়া গাই এজনীক কেৱল তাইৰ ডিঙিৰ ঘণ্টা শুনি কোনেও নিকিনে।]

বছৰঃ ১২ অগাষ্ট ১৯৮৭ সংখ্যাঃ ৩

খনেঃ ২.৫০ টকাঃ ঃ বছৰেকীয়া বৰঙণিঃ ৩০.০০ টকা

CHITRA

'মেৰি'—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। **গুণত অনুপম!** সৌন্দৰ্য্যত অপৰূপ!! গেৰান্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসম্মত অতুলনীয় অলংকাৰ!

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS

P.O. BOX : 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.

চান্দমামাৰ
সম্বাদ-বি-সম্বাদ

এভাৰেষ্টৰ প্ৰতিদ্বন্দ্বী



হিমালয়ৰ আটাইতকৈ ওখ শৃংগ হ'ল এভাৰেষ্ট। পিছে—আমেৰিকাৰ মহাকাশযানে হিমালয়ৰ কে-২ নামৰ শৃংগটোক এভাৰেষ্টতকৈয়ো ওখ বুলি প্ৰতিপন্ন কৰিছে। যদিও বিষয়টো এতিয়ালৈকে তৰ্কাতীতভাৱে সাব্যস্ত হোৱাগৈ নাই।

শ্ৰীকৃষ্ণই সজা নগৰৰ সন্ধানত

পশ্চিম সমুদ্ৰৰ তীৰত শ্ৰীকৃষ্ণই দ্বাৰকা নগৰ সজাইদিছিল আৰু সেই নগৰখনক সাগৰে ধ্বংস কৰিছিল বুলি পুৰাণত বৰ্ণিত আছে। কচ্ছ আৰু আৰবসাগৰ বিষয়ক গৱেষণাৰপৰা আনুমানিক তিনি হাজাৰ পাঁচশ বছৰৰ আগেয়ে প্ৰকৃততেই এই অঞ্চলত থকা নগৰ এখনৰ কথা জনা গৈছে। সম্প্ৰতিতে এই বিষয়ে পৰিপূৰ্ণভাৱে অনুসন্ধান চলি আছে।

অভিনৱ চিম্পাঞ্জী ··

জয়পুৰত প্ৰতাপ নামৰ মানুহ এজনে এটি চিম্পাঞ্জীক লালন-পালন কৰি মানুহৰ দৰে কৰি তোলাৰ চেষ্টা চলাইছে। এই চিম্পাঞ্জীটিয়ে এতিয়া নিজে নিজেই কাপোৰ-কানি পিন্ধিব পাৰে, আৰু সোলোকায়ো পেলাব পাৰে, টেমা খুলি খোৱাবস্তু উলিয়াই মানুহৰ দৰে খাব পাৰে।

ভয়ংকৰ জেঠী···

দক্ষিণ ভাৰতৰ তিৰুপতিৰপৰা পঞ্চলিছ কিল'মিটাৰ পশ্চিম দিশত থকা তলকোনা নামৰ অৰণ্যত ১৮ ফুট দীঘল এক বিৰাট ভয়ংকৰ জেঠীৰ সন্ধান পোৱা হৈছে। ভেংকটেশ্বৰ বিশ্ববিদ্যালয়ৰ প্ৰাণীবিভাগে এই জেঠীৰ ফটো তুলিবলৈ চেষ্টা চলাইছে। আমাৰ দেশত প্ৰায় ত্ৰিছ বছৰৰ আগতে এনেবোৰ জেঠী দেখা গৈছিল।



শল

সুশোভনা আৰু পৰীক্ষিতৰ পুত্ৰসন্তানৰ নাম আছিল শল। শল আছিল বৰ দাম্ভিক। তাৰ দম্ভ আৰু অহংকাৰৰ কথা সকলোতে বিয়পি পৰিছিল।

এদিন চিকাৰলৈ ওলাই, হৰিণাৰ পিছ খেদি গৈ গৈ শলে বননিৰ সোঁমাজ পাইছিলগৈ। তাৰ অশ্বটোও ভাগৰি পৰিছিল। কিন্তু তথাপি হৰিণা চিকাৰ নকৰাকৈ নেৰিব বুলি ভাবিলে দাম্ভিক শলে।

এনেতে শলে বননিৰ মাজত ঋষিৰ আশ্ৰম এখন দেখা পালে। এই আশ্ৰমত দুটা অশ্ব বান্ধি থোৱা অৱস্থাত দেখা পাই শলে ঋষি বামদেৱৰ কাষ চাপিল আৰু ভক্তিভাৱেৰে ঋষি বামদেৱক প্ৰণাম কৰি প্ৰাৰ্থনাৰ ভংগীৰে হাতযোৰ কৰি ক'লে, "হে মহৰ্ষি! আপোনাৰ অশ্ব দুটা মোক দিবনে?"

ঋষি বামদেৱে শলক ক'লে, "আৱশ্যক হ'লে অৱশ্যেই লৈ যাবা, কিন্তু চিকাৰৰ অন্তত অশ্ব দুটা পুনৰ মোক ওভোতাই দিবা।"

"হে মুনিবৰ! আপোনাৰ আদেশ শিৰোধাৰ্য্য। চিকাৰৰ অন্তত আপোনাৰ অশ্ব দুটা নিশ্চয় আপোনাক ওভোতাই দিম।" এই বুলি কৈ, শলে ঋষিৰ শক্তিশালী অশ্ব দুটা লৈ গ'ল আৰু সেই হৰিণাটো আৰু লগতে অন্যান্য ভালেমান জীৱ-জন্তু চিকাৰ কৰি লৈ ঋষিৰ অশ্ব দুটাৰে সৈতে পুনৰ ৰাজধানীমুৱা হ'ল।

তেতিয়া ঋষি বামদেৱৰ শিষ্য কেইগৰাকীমানে শলক ক'লে, "আমি ঋষি বামদেৱৰ শিষ্য। চিকাৰৰ অন্ত অশ্ব ওভোতাই দিব বুলি কৈছিল যে আপুনি—।"

"এই অশ্ব দুটা অতি শক্তিমান। মই এই দুটাক ওভোতাই নিদিওঁ। তোমালোকৰ গুৰু আশ্ৰমত থাকে, দুগ্ধ পান কৰে। তেওঁ অশ্বেৰে কি কৰিব? যদি প্ৰয়োজন হয়— ৰাজধানীলৈ আহিবা, এই অশ্ব দুটাৰ সলনি মই গাই দুজনীকে দিম।" এই বুলি কৈ, দম্ভালিৰে আগ বাঢ়িবলৈ ধৰোঁতেই চকুৰ পচাৰতে অশ্ব দুটা ৰাক্ষসলৈ ৰূপান্তৰিত হ'ল। ৰাক্ষস দুটাই শলক উচিত কড়ি বুকুত গুৰি দিয়াৰ অন্তত ঋষি বামদেৱৰ ওচৰলৈ উভতি গ'ল।

মানৱতা

সুতখোৰ সুৰল আছিল কঠুৱা মনৰ মানুহ। সুত ঠিকমতে নাপালে সি সুতৰো সুত আদায় কৰিছিল। সুতখোৰ সুৰলৰ কবলত পৰি বহুতেই জুৰুলা হৈছিল।

সুৰলৰ পুতেক ধৰলেও তাৰ যোগ্য দেউতাকৰপৰা সুতৰ কাৰবাৰ শিকি লৈ পূৰাদমে কাৰবাৰ আৰম্ভ কৰি বহুতকে চকুত চাউল নোহোৱা কৰিব পাৰিছিল।

কিন্তু হঠাৎ সুৰল বাত-বেমাৰত পাটী ল'বলগীয়া হ'ল। সি একেবাৰে লৰ-চৰ কৰিব নোৱৰা হৈ পৰিল। কিন্তু তথাপি সি কোনো বেজ-বৈদ্যক নামাতিলে। তাৰ ধাৰণা—বেজ-বৈদ্যহঁত হ'ল তেজপিয়াৰ সঁচ। বাত-বেমাৰো ভাল নহ'ব, আৰু টকা-পইচাও নষ্ট হ'ব।

কিন্তু ধৰলৰ ধাৰণা আন! দেউতাকে যেতিয়া একোপধ্যেই বেজ-বৈদ্য মতাই ননা হ'ল, তেতিয়া ধৰলে নিজেই বৈদ্য এজনক মাতি লৈ আহিল। কিন্তু তেওঁৰ চিকিৎসাত একো ফল নধৰিল। ধৰলে তাৰ দেউতাকক লৈ বিপাকতে পৰিল।

এনেতে সিহঁতৰ গাঁৱত সাধু এগৰাকী আহিল। এই সাধুগৰাকীয়ে হেনো যিকোনো টান বেমাৰ ভাল কৰিব পাৰে।

ধৰলে তাৰ দেউতাকৰ অৱস্থাৰ কথা সাধুক বুজাই ক'লেগৈ। সাধু কৰুণান দই ধৰলক ক'লে, "শুনা, সুতৰ কাৰবাৰ কৰি তোমাৰ দেউতাৰাই বহু মানুহক দুখৰো উপৰি দুখ দিছিল। জুৰুলা হোৱা সেই মানুহসকলেই তোমাৰ দেউতাৰালৈ অভিশাপ দিলে। এতিয়া—কাশীৰপৰা গংগা-জল আনি সেই পবিত্ৰ জল পান

ৰাজীন্দ্ৰ ভট্টাচাৰ্য্য



কৰিলেহে তোমাৰ দেউতাৰা ভাল হৈ উঠিব।

কৰুণানন্দৰ কথাৰ উত্তৰত ধৰলে ক'লে, "দেউতাই কেনেকৈনো কাশীলৈ যাব? তেওঁ লৰচৰকে কৰিব নোৱাৰে।"

"তেনেহ'লে তেওঁৰস লনি তুমি যোৱাগৈ কাশীলৈ। তাত বিশ্বনাথলৈ পূজা আগ কৰি, গংগাজল আনি খুৱাবা।"

সাধু কৰুণানন্দৰ কথা শুনি ধৰল বৰ বিমোৰত পৰিল। কাশীলৈ যাবলৈ হ'লে—কিমান যে খৰচ! কথাটো শুনি সুৰলৰো বাত বেমাৰে বৰকৈ উক্ দি উঠিল। কেনে সৰ্বনশীয়া কথা! ই নো কেনেকুৱা সাধু? ভাবিলে সি।

ধৰলে কাশীলৈ যোৱাৰ যো-জা কৰা দেখি সুৰলে তাক ক'লে, "মই পাটী ল'লোঁ, আৰু তুমি এই সময়তে কাশীৰ বাটকে ল'লা? আৰু—ধৰুৱাহঁতৰপৰা সুত আদায়-উচুল কৰিব কোনে?"

ধৰলে ক'লে, "যি হয় হওক, তথাপি তোমাক মই ভাল কৰি তুলিমেই।" এই বুলি কৈ, ধৰল কাশীলৈ বুলি ৰাওনা হ'ল।

*

কাশীৰ গংগাজল কঢ়িয়াই লৈ ধৰল পুনৰ গাঁওমুৱা হ'ল। সি খোজ কাঢ়ি কাঢ়ি গৈ থাকোঁতে হঠাৎ ভূত এটা তাৰ আগত ওলাল আৰু ভয়তে কঁপি থকা ধৰলক ক'লে, "তুমি মোক ভয় নাখালেও হ'ব। মই কাৰো অপকাৰ নকৰোঁ। তুমি মোৰপৰা কিবা ধৰণৰ সহায় বিচাৰানে?"

ধৰলে থোকাথুকি মাতেৰে ভূতটোক ক'লে, "আৰুনো কি সহায় বিচাৰিম? দেউতাৰ বেমাৰ ভাল কৰাৰ বাবে কাশীৰপৰা গংগাজল কঢ়িয়াই লৈ গৈ আছোঁ।"

ভূতটোৱে ধৰলক ভক্তিভাৱেৰে নমস্কাৰ কৰি ক'লে, "হে মানৱোত্তম! দয়া কৰি সামান্য গংগাজল মোকো দিয়া। এই পৱিত্ৰ জলেৰে মই অভিশাপমুক্ত হ'ম।"

"ইমান ধন ভাঙি, ইমান দূৰণিবটীয়া ঠাইৰপৰা আহি, ইমান কষ্টেৰে যি পৱিত্ৰ

পানী মই কঢ়িয়াই লৈ যাব ধৰিছোঁ, সেয়া তোমাৰ কাৰণে নহয়।" এই বুলি কৈ ধৰলে পুনৰ খোজ ল'লে।

কিন্তু ভূতটোও ধৰলৰ পিছে পিছে গৈ থাকিল। ভূতটোৱে ধৰলক ক'লে, "তুমি কিমান যে পুণ্যাত্মা! তোমাৰ পদধূলিৰ পৰশ লভিলেও মই কিজানি শাপমুক্ত হ'ম।" এই বুলি কৈ ভূতটোৱে ধৰলৰ ভৰিৰ ছাপ পৰা ঠাইৰপৰা ধূলি এচিকুট বুটলি লৈ মূৰত লগালে আৰু পাছ মুহূৰ্ততে তাত ভূত গুচি এক অপৰূপা নাৰীমূৰ্তিৰ সৃষ্টি হ'ল আৰু অলপ পাছত সেই নাৰীমূৰ্তি অদৃশ্য হৈ পৰিল।

ধৰল পুনৰ গৈ থাকিল। গৈ গৈ এঠাইত এখন গাড়িত সৰু ল'ৰা এটিক বহুৱাই বলিষ্ঠদেহী মানুহ এজনে ঠেলি ঠেলি লৈ যোৱা দেখা পালে। সেই বলিষ্ঠ-দেহীয়ে ধৰলক সুধিলে, "মই আপোনাকে কিবা সহায় কৰিব পাৰোঁনে?"

"তুমি মোক কেনেকুৱা সহায় কৰিবা? তুমি কোন?" ধৰলে সুধিলে।

"মোৰ নাম ৰুদ্ৰপ্ৰসাদ। এসময়ত মই আছিলোঁ এটা চোৰ। এতিয়া— চুৰি-চাপাচী এৰি, মানুহক সহায় কৰি, মোৰ পাপ লাঘৱ কৰাৰ চেষ্টা কৰি আছোঁ।" ৰুদ্ৰপ্ৰসাদে ক'লে।

ধৰলে ক'লে, "তোমাৰপৰা কোনো ধৰণৰ সহায় মোক নালাগে।" এই বুলি কৈ ধৰলে পুনৰ খোজ দিবলৈ ধৰোঁতেই ধৰলে কঢ়িয়াই লৈ যোৱা পাত্ৰটোলৈ আঙুলিয়াই সুধিলে, "এই পাত্ৰত কি আছে?"

"এই পাত্ৰত পবিত্ৰ গংগাজল আছে। এই গংগাজল পি খালে মোৰ দেউতাৰ বাত-বেমাৰ ভাল হৈ উঠিব।" ধৰলে ক'লে।

"মোক অলপ গংগাজল দিবনে? গংগাজলৰ স্পৰ্শ পালে মোৰ ল'ৰাটোৰ বেমাৰো চাগৈ ভাল হ'ব।" ৰুদ্ৰপ্ৰসাদে কাতৰ কণ্ঠেৰে ধৰলক ক'লে।

ধৰলে আমনি পাই ক'লে, "চোৰাঁ,

ভাবি য'ত গংগাজল পৰিছিল, ৰুদ্ৰপ্ৰসাদে সেই ঠাইৰ মাটি একণমান তাৰ ল'ৰাটোৰ গাত লগাই দিলে, আৰু লগে লগে কুষ্ঠ লুপ্ত হৈ গ'ল।

চোৰ ৰুদ্ৰপ্ৰসাদে ধৰলক প্ৰণাম কৰি ক'লে, "আপোনাৰ এই উপকাৰৰ কথা মই জীৱনকালতো পাহৰি নাযাওঁ।"

*

ঘৰ পাই, ধৰলে তাৰ দেউতাকক এইবোৰ কথা ক'লে আৰু পৰিশেষত মন্তব্য কৰিলে, "দেউতা, কাশীত গংগাস্নান কৰাত মই ঢেৰ পুণ্য আৰ্জিলোঁ। সেই কাৰণহে মোৰ পদধূলিৰে ভূতটো শাপমুক্ত হ'ল, চোৰৰ ল'ৰাটো কুষ্ঠ মুক্ত হ'ল! আৰু সেয়েহে, মই এতিয়া নিজ হাতেৰে তোমাক এই পৱিত্ৰ গংগাজল খুৱাম। তুমি যে মুহূৰ্ততে ভাল হৈ উঠিবা, সেই কথাত নিশ্চিন্ত।" এই বুলি কৈয়েই ধৰলে সেই তামৰ পাত্ৰৰপৰা এচলুমান পানী তাৰ দেউতাকৰ মুখত ঢালি দিলে।

কিন্তু বাতৰ বিষ ভাল হোৱা দূৰৰে কথা, সুৱলৰ মাত-বোল কৰাৰ ক্ষমতাকণো লুপ্ত হ'ল। ধৰল ভেবা লাগিল। এই ঘটনাৰ তলা-নলা সি একোৱেই ঠাৱৰ কৰিব নোৱাৰিলে।

সাধু করুণানন্দই বহু ঠাই ভ্ৰমি পুনৰ

মই বহু কষ্ট কৰি, বহু ধন ভাঙি, সুদূৰ কাশীৰপৰা যি পৱিত্ৰ গংগাজল কঢ়িয়াই আনিছোঁ, সেয়া কোনোবা চোৰক দিবলৈ অনা নাই।" এই বুলি কৈয়েই ধৰলে খৰকৈ খোজ ল'লে আৰু ঠিক তেতিয়াই তাৰ সেই গংগাজলৰ পাত্ৰৰপৰা পানী কেইটোপালমান ছিটিকি মাটিত পৰিল।

গংগাজল কেইটাপালমান ছিটিকি মাটিত পৰালৈ চাই ৰুদ্ৰপ্ৰসাদে ভাবিলে: পৱিত্ৰ গংগাজলৰ একলহো যি এটোপালো সি। এতেকে—এটোপাল গংগাজলেৰেও যে মোৰ ল'ৰাটোৰ বৰৰোগ [কুষ্ঠ] ভাল নহ'ব তাৰ মানে নাই। এই কথা

তেতিয়া ধৰলহঁতৰ গাঁও পাইছিলহি। ধৰলে কৰুণানন্দক সকলো কথা আনুপূৰ্বিকভাৱে ক'লেগৈ। তাৰ পাছত ধৰলে সাধুক সুধিলে, "হে প্ৰভু, আন দুজনৰ ক্ষেত্ৰত জাদুৰ দৰে সুফল ফলিল, মোৰ দেউতাৰ ক্ষেত্ৰত বিপৰীত কিয় হ'ল?"

ধৰলৰ প্ৰশ্নৰ উত্তৰত সাধু কৰুণানন্দই ক'লে, "ভূত আৰু চোন নিজ নিজ কুতকৰ্মৰ বাবে অনুতপ্ত হৈছিল আৰু ভাল হৈছিল। কিন্তু তুমি কেৱল তোমাৰ নিজৰ স্বাৰ্থৰ কাৰণেহে গংগাজল আনিছিলাগৈ। আৰু— তোমাৰ দেউতাৰাই বহু মানুহক জুকলা কৰিলে। সেই মানুহসকলৰ অভিশাপৰ ফলত তেওঁৰ এনে অৱস্থা হ'ল। তদুপৰি, তোমাৰ দেউতাৰাই তেওঁৰ কুতকৰ্মৰ বাবে কেতিয়াও অনুতাপ প্ৰকাশ কৰা নাছিল। তাৰ কাৰণেহে পৱিত্ৰ গংগাজলেৰেও তেওঁ পৰিশুদ্ধ হ'ব নোৱাৰিলে। কিয়নো, অনুতাপেই হ'ল পৰিশুদ্ধিৰ তথা মুক্তিৰ একমাথোন আৰু সৰ্বশ্ৰেষ্ঠ উপায়।"

"প্ৰভু, আমি বংশানুক্ৰমে সুতৰ কাৰবাৰ কৰি আহিছোঁ। কিয় পাপ হ'ব?" ধৰলে সুধিলে।

সাধু কৰুণানন্দই ক'লে, "শুনা, যিকোনো কামতে বা বেহা-বেপাৰতে ন্যায়-অন্যায় বোলা কথা আছে। তোমাৰ দেউতাৰাই অন্যায়ভাৱে বহু মানুহক জুকলা কৰাত তেওঁৰ ইমান পাপ হ'ল।"

ধৰলে আৰু একো নুসুধি, সাধুক প্ৰণাম কৰি, পোনেই ঘৰলৈ উভতি গ'ল আৰু গংগাজলখিনি টান বেমাৰীহঁতৰ মাজত ভগাই দিলে।

তাৰ পাছত—অন্যায়ভাৱে আদায় অনা সুতৰ টকাখিনি প্ৰতিজন প্ৰাপকক ওভোতাই দিলে আৰু ন্যায্য সুত গ্ৰহণ কৰি সুতৰ কাৰবাৰো সুকলমে চলাই থাকিল। ধৰলে বুজি পালে যে প্ৰকৃত মানৱতা আৰু ভদ্ৰতা গংগাজলতকৈয়ো পৱিত্ৰ।



বাজিৰ বাৰভৈচালি

নগুৰানন্দ আছিল ৰত্নপুৰৰ ৰাজসভাৰ ভাৰৰীয়া। ৰাজসভাত নগুৰানন্দই কেৱল হাঁহি-ধেমালি নকৰিছিল, বিভিন্ন জটিল সমস্যাৰো সমাধান কৰি দিছিল। তাৰ ফলত ৰজাই তাক বৰ ভাল পাইছিল।

এবাৰ এই নগুৰানন্দৰ খুলশালিয়েক মোহন নগুৰৰ কাষ চাপিল ৰজাৰ অধীনত চাকৰি বিচাৰি। শুনি নগুৰে মোহনক ক'লে, "ৰজাই মোক ভাল পায়, সঁচা কথা, কিন্তু ভাল পায় বুলিয়েই যে তেওঁ তোমাকো চাকৰিত মকৰল কৰিব—তাৰ কোনো মানে নাই। চাকৰি-প্ৰাৰ্থীৰ বাস্তৱ জ্ঞান, উপস্থিত বুদ্ধি আৰু কৰ্তব্যসচেতনতা আদিৰ বিশেষ পৰীক্ষা কথাটো ৰাজধানীৰ সকলোটিয়ে জানে।" নোলোৰাকৈ তেওঁ কাকো চাকৰিত নলয়,

"ঠিক আছে, মোক চাকৰিত লোৱাৰ বাবে তুমি ৰজাক নক'লেও হ'ব। মোক তুমি মাত্র তেওঁৰ ওচৰলৈ লৈ যাবা, তাৰ পাছত যি কৰিব লাগে মই কৰিম।" মোহনে নগুৰানন্দই ক'লে।

"তাকে তো ময়ো ভাবিছোঁ, তুমি কি ক'বা-নক'বা—নঘট-ঘট লগাবা—আৰু মোৰ নাকটো গুৰি চপাই কাটি থৈ যাবা। তোমাৰ জ্ঞান-বুধিৰ ওপৰত মোৰ সিমান আস্থা নাই।" নগুৰানন্দই ক'লে।

নগুৰৰ এনে কথা শুনি মোহনৰ উঠিল খং। মোহনে অভিমানী কণ্ঠেৰে ক'লে, "ঠিক আছে, মাৰিলোঁ বাজি, যদি তুমি ৰাজী। মোৰ গিয়ান-বুধি আছেনে নাই—পদে-প্ৰমাণে ৰাজসভাত ৰজাৰ আগতেই তাৰ ফয়চলা হৈ যাওক।"

মনিমা মহন্ত

নগুৰে 'না' কৰিব নোৱাৰিলে. বাজিৰ কথাত ৰাজী হ'বলগীয়া হ'ল।

*

আৰু পাছদিনা নগুৰানন্দই তাৰ খুলশালিয়েক মোহনক লগত লৈ ৰজাৰ কাষ চাপিল। ঠিক সেই মুহূৰ্তত ৰজাই লিগিৰা এটাৰ হাতৰপৰা গাখীৰৰ পাত্ৰ এটা ল'ব ধৰিছিল।

নগুৰে ৰজাৰ লগত মোহনক ইতিমধ্যেই চিনাকি কৰাই দিছিল। মোহনে ৰজাক সুধিলে. "মহাৰাজ! আপুনি গাখীৰ —সদায় মুখেৰে খায়নে?"

ৰজাই বিৰক্তিৰে ক'লে. "গাখীৰ মুখেৰে নাখাই নাকেৰে খায়নে কি?"

"অপৰাধ নল'ব মহাৰাজ!" মোহনে ক'লে, "আপুনি যদি মোৰ লগত বাজি মাৰিবলৈ ৰাজী হয়, মই নাকেৰে খাই আপোনাৰ আগত পৰীক্ষা দিব পাৰোঁ।"

মোহনৰ কথাত ৰজাই মজা পালে। তেওঁ মোহনক সুধিলে. "কিমান বাজি?"

মোহন নম্ৰভাৱে ক'লে. "মহাৰাজ! মই একেবাৰে নিবন্নুৱা। মোৰ অৱস্থা হ'ল—না মামাৰ ঘৰ, না পাকৰিৰ তল। মোৰ ওচৰত মাত্ৰ এটা ৰূপৰ ৰূপ আছে। গতিকে—মই মহাৰাজ মাত্ৰ এটকীয়া বাজীহে মাৰিব পাৰোঁ।"

*

মজা পোৱা ৰজা ৰাজী হৈ গ'ল

আৰু গাখীৰৰ পাত্ৰটো মোহনক দিলে তেওঁ। মোহনে মুখেৰেই গাখীৰখিনি পি-খালে আৰু ক'লে, "মহাৰাজ, মই বাজিত হাৰিলোঁ।" এই বুলি কৈ, মোহনে মহাৰাজৰ আগত ৰূপৰ টকাটো থ'লে।

ৰজাই হো হোকৰে হাঁহি উঠিল। তেতিয়া নগুৱানন্দই মোহনক ক'লে, "মোহন, আজি বাস্তৱিকতে প্ৰমাণ পালোঁ যে—তোমাৰ জ্ঞান-বুদ্ধি নথকা নহয়।"

অবাক ৰজাই তেওঁৰ ভাৰৰীয়া নগুৱানন্দলৈ চালে। নগুৱানন্দই ৰজাক ক'লে, "মহাৰাজ! যদি দোষ নধৰে, কথা এষাৰ কওঁ।"

"কোৱা।" ৰজাই ক'লে।

"মোৰ কথা অলপ ধৈৰ্য্য ধৰি শুনিব, মহাৰাজ!" নগুৱে ৰজাক মোহনৰ কথা গুৰিৰেপৰাই ভাঙি-পাতি কৈ পৰিশেষত পুনৰ ক'লে, "আপোনাৰ অধীনত চাকৰি পাবলৈ হ'লে জ্ঞান-বুধি থকাৰ পৰীক্ষা দিব লাগিব বুলি মই মোহনক কৈছিলোঁ। এই কথা শুনি মোহনে মোৰ লগত বাজি মৰাত ময়ো ৰাজী হৈছিলোঁ। সি কৈছিল, 'আমি যেতিয়া মহাৰাজৰ কাষ চাপিম, তেতিয়া মহাৰাজে যি বস্তু খাব, মই সেই বস্তুখিনি মাত্ৰ এটা টকাৰে মহাৰাজৰ-পৰা কিনি ল'ম আৰু মহাৰাজে খোৱাৰ সলনি মই খাম।' এতিয়া—আপুনিয়েই কওক মহাৰাজ, আপোনাৰপৰা সি এটকাৰে গাখীৰখিনি লোৱাত মই নাহাৰিলোঁনে? মোক মোহনে হৰুৱালে!"

ৰজাই হাঁহি মাৰি ক'লে, "সেই কথত কিবা সন্দেহ আছেনে আৰু? জ্ঞান-বুদ্ধি থাকিলে কেনেকৈ যে বাজি মাৰি জিকিব পাৰি — মোহনে সেইটি কথা তোমাক ভালকৈ শিকাই দিলে।"

তাৰ পাছত ৰজাই মোহনক তেতিয়াৰেপৰাই তেওঁৰ প্ৰধান বুদ্ধিদাতাৰ চাকৰিত মকৰল কৰিলে।



১৪

ৰজা চিত্ৰসেনে ৰাক্ষস উগ্ৰাক্ষক প্ৰদত্ত প্ৰতিশ্ৰুতি মতে তেওঁৰ নিজৰ সন্তানক প্ৰদান কৰাৰ সলনি আন ল'ৰা এটিক উগ্ৰাক্ষৰ হাতত সঁপি দিছিল। কিন্তু চিত্ৰসেনৰ এই চালাকি উগ্ৰাক্ষই ধৰা পেলালে আৰু সেইটি ল'ৰাক ওভোতাই লৈ আহিল। দ্বিতীয় বাৰতো চিত্ৰসেনে অমৰপালৰ বুদ্ধিত পুনৰ উগ্ৰাক্ষক প্ৰতাৰণা কৰিলে। কিন্তু এইবাৰো উগ্ৰাক্ষক প্ৰতাৰিত কৰা নগ'ল। আৰু অৱশেষত চিত্ৰসেন ৰজাই তেওঁৰ নিজক পুত্ৰক উগ্ৰাক্ষক সঁপি দিবলৈ বাধ্য হ'ল। উগ্ৰাক্ষই এইটি ল'ৰাৰ নতুনকৈ নামকৰণ কৰিলে: উগ্ৰদত্ত। উগ্ৰাক্ষই উগ্ৰদত্তক আতোল-তোলকৈ পালি থাকিল। আৰু তাৰ পাছত···

যিটি ল'ৰাই ৰাজ-ঐশ্বৰ্য্যৰ মাজতে পাঁচ বছৰ বয়সলৈকে লহপহকৈ বাঢ়ি উঠিছিল, এতিয়া সেইটি ল'ৰায়েই ৰাক্ষসপুৰীত একপ্ৰকাৰে বন্দী! অৱশ্যে—সেই বালক উগ্ৰদত্তই দুজন সমনীয়া লগৰীয়া পাইছিল উগ্ৰাক্ষৰ অনুচৰইঁতে অপহৰণ কৰি অনা খেলৰ লগৰী এই ল'ৰা দুটিৰ মাজত এটিৰ নাম হ'ল ৰুদ্ৰ আৰু আনটিৰ নাম মন্দ্ৰ। উগ্ৰদত্ত, ৰুদ্ৰ আৰু মন্দ্ৰ ৰাক্ষস-পৰিয়ালত সুখেৰেই ডাঙৰ-দীঘল হ'বলৈ ধৰিলে।



চলাইছিল। এইবোৰ কথা-কাণ্ড চাই চুবুৰীয়া ৰাজ্যৰ অধিবাসীসকলে অবাক মানিছিল। যি কি নহওক—তেওঁলোকে ভলো পাইছিল, কিয়নো, আগতে যিবিলাক ৰাক্ষসে তেওঁলোকৰ ৰাজ্যত সোমাই লুটপাত কৰিছিল, এতিয়া সেই-বোৰ বেয়া কাম এৰি খেতি-বাতিত মনপুতি লাগিল। এতেকে—লুণ্ঠন আৰু আক্ৰমণৰ-পৰা তেওঁৰ ৰাজ্যৰ প্ৰজাবৰ্গ মুক্তি পোৱাত চিত্ৰসেনৰ পক্ষে তেওঁৰ ৰাজ্যত শান্তি-শৃংখলা ৰক্ষা কৰা সহজ হৈ উঠিল।

*

এতিয়া উগ্ৰদত্ত, ৰুদ্ৰ আৰু মত্ৰ একুৰি বছৰীয়া হ'ল। সিহঁত তিনিও অশ্ব-চালনা, বিভিন্ন অস্ত্ৰৰ ব্যৱহাৰ আদিত নিপুণ হৈ উঠিল। সিহঁতে বিভিন্ন দেশৰ বিভিন্ন বাতৰিও নোপোৱাকৈ নাছিল। সিহঁতে একোবাৰে অজান জ্বালাদ্বীপৰ বিচিত্ৰ কথা, জ্বালাদ্বীপৰ ভয়ানক চৰাইবিলাকৰ কাহিনী আৰু বাঘছাল পিন্ধা জ্বালাদ্বীপিয়া-হঁতৰ অদ্ভুত-আচৰিত কাহিনীও শুনিছিল।

*

এদিন উগ্ৰাক্ষই সিহঁতক ক'লে, "সম্ভহতে বাঘছাল পিন্ধা জ্বালাদ্বীপিয়া-হঁতক সেই ভংয়কৰ চৰাইবিলাকৰ পিঠিত উঠি আকাশত ঘূৰি ফুৰা দেখা গৈছে।

আৰু এইদৰে পোন্ধৰ বছৰ উকলিল। ইতিমধ্যে উগ্ৰাক্ষই ৰাক্ষসহঁতৰ পৰিৱৰ্তনৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। ৰাক্ষসহঁতে যাতে জীৱ-জন্তু বা মানুহ-দুনুহ মাৰি খোৱাৰ পৰিৱৰ্তে খেতি-বাতি কৰি পেট প্ৰৱৰ্তায়, তাৰ বাবে উগ্ৰাক্ষই কম প্ৰচেষ্টা চলোৱা নাছিল। ৰাক্ষসহঁতে যাতে মানুহৰ দৰে বসতি গঢ়ি তোলে, তাৰ বাবেও উগ্ৰাক্ষই সিহঁতক উৎসাহিত কৰিছিল।

*

ৰাক্ষসহঁতে খেতি-বাতিৰ কামত বলদৰ ব্যৱহাৰ কৰি ভাল নাপালে। সিহঁতে তাৰ সলনি হাতী, গঁড় আদিৰে লাঙল

যোৱা পোন্ধৰ বছৰত সিহঁতে আমাৰ একো অনিষ্ট কৰিব নোৱাৰিলে, যদিও জ্বালাদ্বীপিয়াহঁতৰ নেতা কৰবীৰ আৰু দেশদ্ৰোহী নাগবৰ্মাকো আনি একোপধ্যে ধৰিব পৰা নাই। সিহঁত কেনি যে পলাল তাৰ সামান্যতম উম-ঘামো আমি নাপালোঁ, হাজাৰ চেষ্টাতো সিহঁত দুটাক বিচাৰি উলিয়াব নোৱাৰিলোঁ!" উগ্ৰাক্ষই চিন্তিতভাৱে ক'লে।

উগ্ৰাক্ষৰ কথাখিনি উগ্ৰদত্তৰ মনত শিপাই গ'ল। সি ভাবিলে: দেশদ্ৰোহী নাগবৰ্মা আৰু তাৰ অনুচৰ জ্বালাদ্বীপিয়া কৰবীৰ জ্বালাদ্বীপলৈ গুচি গ'লনে ওচৰে-কাষৰে ক'ৰবাত খাপ লৈ আছে—জনা প্ৰয়োজন। এই কথা সঠিককৈ নজনালৈকে দেশৰ মংগল হ'ব নোৱাৰে। আৰু—বিশেষকৈ অদ্যাপি সিহঁত চৰাইৰ পিঠিত উঠি কপিলপুৰৰ আকাশপথেদি অহা-যোৱা কৰাৰপৰাই সিহঁতৰ মনত থকা দুৰ্ঘোৰ দুৰভিসন্ধিৰ কথা ওলাই পৰে।

*

উগ্ৰদত্তৰ এই বিষয়ে তাৰ বন্ধু ৰুদ্ৰ আৰু মন্দ্ৰৰ সৈতে কথা হ'ল। আলোচনা হ'ল। আলোচনাৰ অন্তত এই আঁচনি লোৱা হ'ল যে — বাঘছাল পিন্ধা জ্বালাদ্বীপিয়া এটাক চৰাইৰ পিঠিৰপৰা যেনেতেনে টানি নমাব লাগিব আৰু তাক যাতে আন কোনোবা জ্বালাদ্বীপিয়াই মাৰি নেপেলায় তালৈকো চোকা দৃষ্টি দিব লাগিব। এটাক ধৰিব পাৰিলেই হ'ল। তাৰপৰাই দেশদ্ৰোহী নাগবৰ্মা আৰু তাৰ অনুচৰ কৰবীৰৰো বা-বাতৰি পোৱা হ'ব।

জীয়া অৱস্থাত জ্বালাদ্বীপিয়া এটাক ধৰিবলৈ হ'লে যে অৰণ্যৰ আদিবাসী তথা ৰাক্ষসহঁতৰ সহযোগিতা আৱশ্যক সেই কথা উপলব্ধি কৰাৰ উপৰিও এই কামটি সুকলমে সমাধা কৰাৰ বাবে উগ্ৰদত্তই এনে বিশেষ কামৰ বাবে বিশেষ পুৰস্কাৰ ঘোষণাৰ কথা ভাবিলে।

কিন্তু সিহঁতৰ মাজত এটায়ো আকাশৰপৰা মাটিলৈ নামি নাহিল।

উগ্রদত্তই ভাবি থাকিলঃ জ্বালা-দ্বীপিয়াহঁত প্রায় প্রতি নিশা আকাশ-পথেদি ঘূৰি ফুৰে। কিন্তু—সিহঁত ঘূৰে ফুৰে কিয়? নিশ্চয় কিবা-নহয়-কিবা স্বাৰ্থ আছেই। যি কি নহওক—কেৱল আদিবাসী বা ৰাক্ষসহঁতৰ ওপৰত নিৰ্ভৰ নকৰি সি আৰু তাৰ বন্ধু দুজনেও ৰাতিৰ পৰতে একেলগে পৰ দি থাকিব 'বুলি উগ্রই স্থিৰ কৰিলে। উগ্রদত্তৰ এই প্ৰস্তাৱত ৰুদ্ৰ আৰু মদ্ৰ সানন্দে সন্মত হ'ল।

এদিন তিনিও অৰণ্যলৈ বুলি ৰাওণা হ'ল। অৰণ্যৰ মাজেদি গৈ গৈ, ভাগৰি পৰি, সিহঁত এজোপা বিৰাট গছৰ তলত জিৰণি দিবলৈ বহি দিলে আৰু লগে লগে সেই গছজোপাৰ মূধত এক সুতীব্ৰ উজ্জ্বল পোহৰ দেখা পালে।

এই পোহৰনো কিহৰ পোহৰ? তিনিও একেলগে ভাবি থাকিল। পিছে—এই ৰহস্যময় পোহৰৰ ৰহস্য জানিবলৈ হ'লে ওখ গছ এজোপাত উঠি পৰ্য্যবেক্ষণ কৰিব লাগিব—এই কথাত সিহঁত একমত হ'ল।

হঠাৎ উগ্রদত্তই ওপৰলৈ চাই কৈ উঠিল. "এয়ে সেই ভয়ানক চৰাই। চৰাইৰ পিঠিত মানুহ এটা বহি আছে।

আৰু উগ্রদত্তৰ প্ৰস্তাৱ শুনি উগ্ৰাক্ষয়ো ভালেই পালে। উগ্ৰাক্ষই উগ্রদত্তক ক'লে, "বাঘছাল পিন্ধা জ্বালাদ্বীপিয়া এটাক জীয়ন্তে ধৰি দিলে একলাখ সোণৰ মুদ্ৰা পুৰস্কাৰ দিয়া হ'ব বুলি ঘোষণা কৰি দিয়া। এই পুৰস্কাৰ দিয়াত আমি টান নাপাওঁ। যুগ যুগ ধৰি মাটিৰ তলত আমি যি বিপুল সম্পদ পুতি থৈছোঁ, একলাখ সোণৰ মুদ্ৰা তাৰ খুদকণ মাথোন।

*

এই ঘোষণাৰ পাছৰপৰা প্ৰায় প্ৰতি-দিনেই উগ্ৰাক্ষ আৰু উগ্রদত্তই জ্বালা-দ্বীপিয়াহঁতৰ বা-বাতৰি পাই থাকিল;

এই মানুহজনৰ হাতত থকা কিবা এটাৰ-পৰা এই পোহৰ ওলাইছে।"

ৰুদ্ৰ আৰু মন্দ্ৰয়ো আকাশলৈ চাই ক'লে, "চৰাইটো পূবৰপৰা পশ্চিমলৈ তীব্ৰ পোহৰ পেলাই গৈ আছে।"

ৰুদ্ৰই ক'লে, "মই সেই গছজোপাত উঠি চাওঁচোন — আমি এতিয়া ক'ত আছোঁ।" মন্দ্ৰ আৰু উগ্ৰদত্ত ৰুদ্ৰৰ প্ৰস্তাৱত সন্মত হ'ল।

ৰুদ্ৰই তৎক্ষণাৎ এজোপা ওখ ওঁৰৈ গছত উঠি দিলে, মূধত উঠি সি চাৰিও-ফালে চালে। তাৰ পাছত সি নামি আহিল। নামি আহি, উগ্ৰদত্তই একো সুধিবলৈ নৌ পাওঁতেই উগ্ৰদত্তক ক'লে, "এই অটব্য অৰণ্যৰ পচিমৰ ফালে ক'ৰবাত কিবা ধৰণ ঘৰ-দুৱাৰ থকাৰ আভাস পাইছোঁ যেন লাগিছে। কিন্তু সেই ঘৰৰপৰা কোনো পোহৰো ওলোৱা নাই, আনকি তাত মই কোনো মানুহ-দুনুহো দেখা পোৱা নাই।"

"অৰ্থাৎ— ?" উগ্ৰদত্তই ৰুদ্ৰক ক'লে, "সেই ঘৰতে বাঘছাল পিন্ধাইঁত আছে বুলি তুমি ক'ব খুজিছানে কি? তোমাৰ এই কথাৰ অৰ্থ কি?"

"অৰ্থ—" ৰুদ্ৰই এখন্তেক ৰৈ, পুনৰ ক'লে, "এই কথাৰ অৰ্থ খোলোচাকৈ

কোৱাটো মোৰ পক্ষেও সম্ভৱ নহ'ব এতিয়াই। অলপ আগতে যিটো জ্বালা-দ্বীপিয়াই চৰাইৰ পিঠিত উঠি সেই ফাললৈ গৈছিল, সি চৰাই পিঠিৰপৰা নামি সেই ঘৰটোত সোমাইছেগৈনে কি—ইমান দূৰৰপৰা সঠিককৈ বুজাটো তেনেই মস্কিলৰ কথা।" ৰুদ্ৰই উগ্ৰদত্তক ক'লে।

মন্দ্ৰ আৰু উগ্ৰদত্তয়ো একেটা কথাকে ভাবি আছিল: এনে নিকপকপীয়া এন্ধাৰত অটব্য অৰণ্যত থকা সেই ঘৰ বা জুপুৰি বিচাৰি উলিওৱাটো বৰ সহজ কাম নহ'ব, এই ঘৰটো বিচাৰি উলিয়াবলৈ হ'লে দিনে-পোহৰেহে বিচাৰি উলিয়াব লাগিব

আৰু এই বিষয়ে অৰণ্যৰ আদিবাসীহঁতকো সতৰ্ক কৰিব লাগিব।

এইবোৰ কথা ভাবি ভাবি সিহঁত এসময়ত গছৰ তলতে শুলে. আৰু চাওঁতে চাওঁতে টোপনিত লাল-কাল হৈ পৰিল।

*

ৰাতি পুউৱাৰ লগে লগে, চৰাইৰ মাত শুনি. ঘোঁৰাৰ হেঁহনি শুনি, তিনিও সাৰ পাই গ'ল। তেতিয়া ৰাতিৰ অৰণ্যৰ ৰূপ একেবাৰে সলনি হৈ পৰিছে। গছবন তেতিয়া চৰাই-চিৰিকতিৰ কিৰিলীৰে ভৰপূৰ. ইজোপা গছৰপৰা সিজোপা গছলৈ বান্দৰ-বিলাকৰ জঁপিয়াজঁপি, জাক জাক পখিলাৰ নৃত্যছন্দ আদিৰে অপৰূপ নয়নাভিৰাম দৃশ্য। এই দৃশ্যলৈ সিহঁত তিনিও চাই ৰ'ল।

"আমি থকা ঠাইডোখৰতকৈ এই-ডোখৰ ঠাই অধিক বিতোপন।" উগ্ৰদত্তই মদ্ৰ আৰু ৰুদ্ৰক ক'লে।

"আৰু গুৰুত্বপূৰ্ণ।" ৰুদ্ৰই কৈ উঠিল, "জ্বালাদ্বীপিয়াহঁতৰ পক্ষে লুকাই থকাৰ ই এক আদৰ্শ ঠাই, ৰাই-ৰুই নোহোৱা নিজঞ্জাল ঠাই।"

জ্বালাদ্বীপিয়াহঁতৰ নাম লোৱাৰ লগে উগ্ৰদত্ত বহাৰপৰা উঠি থিয় হ'ল। তেতিয়া ৰুদ্ৰ আৰু মদ্ৰয়ো উঠি থিয় দিলে আৰু সুধিলে, "কোনফাললৈ যাবানো? ঘোঁৰা-বিলাকক লৈ আহোঁনে?"

"ঘোঁৰা—" উগ্ৰদত্তই খন্তেকমান চিন্তা কৰি ক'লে, "ঘোঁৰা লৈ নগ'লে নহ'বনে? জ্বালাদ্বীপিয়াহঁতৰ জুপুৰি নিশ্চয় ওচৰে-পাঁজৰেই ক'ৰবাত আছে।"

ৰুদ্ৰই ক'লে. "মোৰ ধাৰণা—আধা ক্ৰোশতকৈ বেছি দূৰ ন'হব। অৱশ্যে—মই ৰাতিৰ পৰতেহে দেখিছিলোঁ. গতিকে—আনকি সিমানখিনি দূৰো নহ'ব পাৰে. আকৌ তাতোকৈ বেছি দূৰ হোৱাটোও বিচিত্ৰ নহয়।"

"ওচৰ হওক দূৰ হওক—আমাৰ কি? ঘোঁৰা আছেই যেতিয়া আমি আমাৰ

CHITRA

ঘোঁৰাত উঠি যাম " মদ্ৰই ক'লে

*

সিহঁত ঘোঁৰাৰ পিঠিত উঠিবলৈ ধৰোঁতেই দূৰৈৰপৰা এক আৰ্তনাদ শুনা গ'ল। আৰু এই আৰ্তনাদ আছিল নাৰীকণ্ঠৰ আৰ্তনাদ।

ৰুদ্ৰই ক'লে, "কোনোবা নাৰী এগৰাকী ভয়ংকৰ বিপদত পৰা যেন পাইছোঁ। ব'লা, খাপৰপৰা তৰোৱাল উলিয়াই লৈ জল্‌দিকৈ সেইপোনে ব'লা।"

এই বুলি কৈয়েই তিনিও আৰ্তনাদ ভাহি অহা দিশলৈ সবেগে ধাৱিত হ'ল।

*

কিছু দূৰলৈকে আগবাঢ়ি যোৱাৰ অন্তত এজোপা বিৰাট গছৰ আঁৰত কিছুমান মানুহ থিয় হৈ থকা দেখা গ'ল। উগ্ৰদত্ত, ৰুদ্ৰ আৰু মদ্ৰ অৰণ্য ফালি ফালি হাতত সাৱে ভৰিত সাৱে সেই ফাললৈ আগুৱাই গৈ থাকিল। হঠাৎ সিহঁতৰ দৃষ্টি তথা খোজ স্থিৰ হৈ গ'ল এটা দৃশ্য দেখি। চাৰিটা বাঘছাল পিন্ধা মানুহে পট্টবস্ত্ৰ পৰিহিতা যুৱতী এগৰাকীক জোৰ কৰি ধৰি নিবলৈ চেষ্টা কৰি আছিল, আৰু যুৱতীৰ লগত থকা সখীকেইজনীয়ে পলাই যাবলৈ ধৰিছিল।

এইগৰাকী যুৱতীয়েই 'বচাওক—মোক বচাওক! মোক ৰক্ষা কৰক!" বুলি আৰ্তনাদ কৰি আছিল।

"আৰু ভয় নাই!" উগ্ৰদত্তই চিৎকাৰ কৰি যুৱতীক ক'লে, "আমি পালোঁহিয়েই। আমি তোমাক ৰক্ষা কৰিম।"

আৰু চকুৰ পচাৰ নৌ পৰোঁতেই গছৰপৰা ভালেমান বাঘছাল পিন্ধা জ্বালা-দ্বীপিয়া জঁাপ মাৰি নামি আহি উগ্ৰদত্ত, ৰুদ্ৰ আৰু মদ্ৰক আক্ৰমণ কৰি নিৰস্ত্ৰ কৰি পেলালে আৰু সিহঁত তিনিওজনকে ৰছীৰে কটকটীয়াকৈ বান্ধি টানি-চুঁচৰি লৈ যাবলৈ ধৰিলে সেই ভয়ংকৰ হিংস্ৰ চৰাইবিলাকৰ ওচৰলৈ···। [অহা সংখ্যাত

আত্মস্বাৰ্থ

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, তুমি যে কিহৰ আশাৰে যুগ যুগ ধৰি এই অভিযান চলাইছা, মই তাৰ ৰহস্য ঠাৱৰ কৰিব পৰা নাই। পিছে—দুখ কৰিলে সদায় সুখ নভৰিবও পাৰে, শ্ৰম কৰিলেই স্বাৰ্থসিদ্ধি নহ'বো পাৰে। মোৰ কথাৰ উদাহৰণস্বৰূপে এটি কাহিনী কওঁ শুনা। এই কাহিনী শুনি শুনি গৈ থাকিলে আন একো ন'হলেও পথশ্ৰম নিশ্চয়-কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে :

কোনোবা এখন গাঁৱত ৰাজনাৰায়ণ

'বেতাল-কথা'

নামৰ এজন খেতিয়ক আছিল। ৰাজনাৰায়ণৰ ছোৱালীজনী আছিল দেখাত ধুনীয়া। তাইৰ নাম আছিল অচলা। অচলাৰ মাক-দেউতাকে অচলাৰ বিয়া পাতি দিয়াৰ পাছত জোঁৱায়েকক ঘৰজোঁৱাই হিচাপে ৰখিব বুলি স্থিৰ কৰিলে আৰু মনৰ এই ইচ্ছা পূৰাবলৈ এটা মাউৰা ল'ৰাক আদৰি আনিলে। এই ল'ৰাটোৰ নাম আছিল সাগৰ।

সাগৰ আছিল সহজ-সৰল ল'ৰা। কৌশল-কিটিপেৰে জীৱনৰ বাট বহল কৰাত সি বিশ্বাসী নাছিল। কিন্তু সেই গাঁৱৰ গাঁওবুঢ়াৰ লগত সাগৰৰ সুসম্পৰ্ক নাছিল। গাঁওবুঢ়াই দেশৰ সেনাপতিক হাত কৰি গাঁৱৰ ৰাইজৰ ওপৰত অত্যাচাৰ কৰি নিজৰ সা-সম্পদ বঢ়াইছিল। সাগৰে গাঁওবুঢ়াৰ বিৰুদ্ধে দেশৰ ৰজাৰ ওচৰলৈ অভিযোগ জনালে। এই কথাটো জানিব পাৰি সেনাপতিয়ে সাগৰক ৰাজকোষ লুণ্ঠনৰ চক্ৰান্ত কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰি ৰজাৰ আগত হাজিৰ কৰিলে।

সেনাপতিৰ মুখৰ কথাকে বেদৰ বচন হিচাপে মানি লৈ ৰজাই আদেশ দিলে, "এই ৰাজদ্ৰোহী সাগৰ নামৰ যুৱকক নাহৰফুটুকী থকা হাবিত এজোপা গছৰ লগত কটকটীয়াকৈ বান্ধি থৈ আহাঁগৈ।"

ৰাজপ্ৰহৰীহঁতে ৰজাৰ আদেশ পালন কৰিলে। নাহৰফুটুকীৰে ভৰা অৰণ্যত এজোপা গছৰ লগত সাগৰক বান্ধি থৈ আহিল। এনেহেন ভয়ংকৰ হাবিত সাগৰ তাৰ অপমৃত্যুৰ সম্পৰ্কে নিঃসন্দেহ হৈ পৰিল। কিন্তু ঠিক তেতিয়াই, সেই গভীৰ অৰণ্যত কোনোবাই কৈ উঠিল, "পানী—পানী লাগে মোক, পিয়াহত মোৰ অঠকণ্ঠ শুকাই গৈছে।"

এই কথা শুনি সাগৰে চাৰিওফালে চাবলৈ ধৰিলে। হঠাৎ তাৰ চকুৰ আগত এক বিৰাট দৈত্যক দেখা পাই সাগৰ ভীত হৈ পৰিল। দৈত্যটোৱে সাগৰক ক'লে,

“হেৰা মানুহ, মোৰ পিয়াহ গুচোৱাঁ !”

সাগৰে দৈত্যটোক ক'লে, “সৌৱা— তাত পানী, আছে খোৱাগৈ।”

দৈত্যটোৱে ক'লে, “শুনা মানুহ, মই অভিশপ্ত। মই হাতেৰে ছুলে আনকি সাগৰো শুকাই যাব। মই তোমাক এৰি দিছোঁ, তুমি পানী আনি দিয়া মোক।” এই বুলি কৈ, মাটিৰ পাত্ৰ এটা সাগৰৰ হাতত গটাই দি, দৈত্যটোৱে তাৰ বান্ধোন খুলি দিলে। সাগৰে পাঁচ পাত্ৰ পানী আনি দৈত্যটোৰ মুখৰ ভিতৰত ঢালি দিলে।

তাৰ পাছত দৈত্যটোৱে সাগৰক সুধিলে, “তোমাক কোনে ইয়াত বান্ধি থৈছে ?”

সাগৰে দৈত্যটোক সকলো কথা ভাঙি-পাতি কোৱাৰ অন্তত দৈত্যটোৱে সাগৰক ক'লে, “তুমি নিজৰ কাৰণে নহয়, আনৰ কাৰণেহে এই যাতনা ভুগিছা, ঠিক আছে, মই তোমাক সহায় কৰিম। তুমি চয়তান-হঁতক শাস্তি দিব পাৰিবা।” এই বুলি কৈয়েই দৈত্যটোৱে শূন্যত হাত দাঙি কিবাকিবি কোৱাৰ লগে লগে প্ৰচুৰ অলংকাৰখিনি লৈ আহিল। দৈত্যটোৱে অলংকাৰ-পাতি সাগৰৰ হাতত গটাই দিয়াৰ পাছত ক'লে, “এইখিনি তোমাৰ দেশৰ ৰাণীৰ অলংকাৰ। বুদ্ধি খটুৱাই, এই অলংকাৰেৰেই প্ৰতিশোধ ল'ব পাৰিবা।”

অলংকাৰখিনি লগত লৈ সাগৰ পুনৰ তাৰ গাঁৱলৈ উভতি গ'ল আৰু এনিশা সেইখিনি গাঁওবুঢ়াৰ ঘৰৰ চোতালত মনে মনে থৈ আহিলগৈ।

পাছদিনা ঢলপুৱাতে চোতাল সাৰিবলৈ আহি গাঁওবুঢ়াৰ পৰিবাৰে ইমানসোপা অলংকাৰ পাই হাততে স্বৰ্গখন ঢুকি পোৱা যেন পালে আৰু তেতিয়াই অলংকাৰখিনি গাতপিন্ধি লৈ চুবুৰীয়া তিৰোতাসকলক দেখুৱাই ফুৰিবলৈ ধৰিলে।

ৰজাৰ অন্তেষপুৰৰপৰা ৰাণীৰ অলংকাৰ চুৰি হোৱাত ইতিমধ্যেই চোৰাংচোৱাহঁত সক্ৰিয় হৈ উঠিছিল। গাঁওবুঢ়াৰ ঘৈণীয়েকৰ

গাত ৰাণীৰ চুৰি হৈ যোৱা অলংকাৰখিনি দেখা পাই চোৰাংচোৱা এজনে কথাটো ৰজাক ক'লেগৈ। আৰু লগে লগে ৰজাৰ প্ৰহৰীহঁতে গাঁওবুঢ়াক ধৰি লৈ গ'লহি।

গাঁওবুঢ়াক মুক্ত কৰিবলৈ সেনাপতিয়ে যথেষ্ট চেষ্টা কৰি থাকিল আৰু সফলো হ'ল। এইবাৰ গাঁওবুঢ়াই সাগৰক যেনেকৈয়েই নহওক সমুচিত শিক্ষা দিবলৈ উঠি-পৰি লাগিল। তাৰ বাবে গাঁওবুঢ়াই সেনাপতিৰ সৈতে চক্ৰান্ত কৰি এক অভিনৱ আঁচনি পাঙিলে।

দেশত তেতিয়া চোৰৰ উপদ্ৰৱ ইমানেই বাঢ়ি গৈছিল যে গৈছিল যে স্বয়ং ৰজায়ো চোৰ ধৰিবলৈ চেষ্টা কৰিছিল; কিন্তু তেৱোঁ সমূলি ব্যৰ্থ হৈছিল। সমগ্ৰ দেশত যেতিয়া এই অৱস্থা, তেতিয়া সেনাপতিয়ে ৰজাক ক'লে যে চোৰ ধৰাত সাগৰ অতি সুদক্ষ মানুহ। ৰজাই সাগৰক চোৰ ধৰি আনিবলৈ কঠোৰ আদেশ দিলে আৰু ক'লে, "যদি পোন্ধৰ দিনৰ ভিতৰতো চোৰ ধৰি নানিছা, তেনেহ'লে তোমাক পুনৰ কাৰাগাৰাত ভৰাই থোৱা হ'ব।"

ৰজাৰ এনে কঠোৰ আদেশৰ আঁৰত যে সেনাপতি আৰু গাঁওবুঢ়াৰ চক্ৰান্ত আছে, সেই কথাটো সাগৰে সহজেই বুজি পালে। সাগৰ তৎক্ষণাৎ সেই দৈত্যৰ ওচৰলৈ গ'ল। দৈত্যই তাক দেখা পাই ভাল পালে আৰু ক'লে, "আগতে পানী আনা, পাছত তোমাৰ কথা শুনিম।"

সাগৰে দৈত্যটোক পানী খুৱাই তুষ্ট কৰিলে আৰু তাৰ পাছত বৰ্তমান ঘটনা বিবৰিলে। সাগৰৰ কথা শুনি দৈত্যটোৱে কলে, "তোমাৰ এই চোৰ ধৰাৰ ইচ্ছা সমূহ ৰাইজৰ স্বাৰ্থতহে, আত্মস্বাৰ্থত নহয়। তোমাক মই অৱশ্যেই সহায় কৰিম।"

চকুৰ পচাৰতে দৈত্যটোৱে দুটা বাঘ ধৰি লৈ আহিল আৰু বাঘ দুটাক সাগৰৰ আগত থিয় কৰাই সাগৰক ক'লে, "ইহঁত দুটাক লৈ যোৱা। ইহঁতেই চোৰ ধৰি

দিব তোমাক।”

বাঘ দেখি সাগৰৰ বাঘৰ বুকুলৈ যোৱা যেন লাগিল। লগে লগে সেই বাঘ হুটা এহাল দৰা-কইনা হৈ গ'ল। কইনাৰ গাত আছিল ঢেৰ সোণৰ আৰু হীৰাৰ অলংকাৰ। সাগৰে দৰা-কইনাহালক লগত লৈ নগৰত থকা ধৰমশালালৈ গ'ল।

মাজনিশা ধৰমশালাত হুটা চোৰ সোমালহি। চোৰ হুটাই কইনাৰ গাৰপৰা অলংকাৰখিনি কাঢ়ি লোৱাৰ চেষ্টা কৰা মাত্রেই দৰ আৰু কইনা হুটা বাঘ-বাঘিনী হৈ গ'ল আৰু থাপ মাৰি হুয়োটা চোৰক ধৰি পেলালে আৰু তাৰ পাছত বাঘ-বাঘিনী অদৃশ্য হৈ পৰিল।

বাঘৰ গৰ্জন আৰু চোৰৰ কান্দোন শুনি ধৰমশালাৰ মানুহ দৌৰি আহিল আৰু চোৰ হুটাৰ লগতে সাগৰকো ধৰি ৰজাৰ ওচৰলৈ লৈ গ'ল।

ৰজাৰ অগ্নিমূর্তি দেখি চোৰ হুটাই আচল কথা কৈ দিলে। সিহঁতে ক'লে যে সেনাপতি আৰু গাঁওবুঢ়াৰপৰা সহায়-সৰথি পাইহে সিহঁতে ইমানদিন ধৰি নিঃচিন্ত মনেৰে চুৰি কৰি আছিল। ৰজাই সেনাপতি আৰু গাঁওবুঢ়াক কাৰাগাৰত ভৰাই থ'বলৈ আদেশ দিলে আৰু সাগৰক সেনাপতিৰ পদত নিযুক্ত কৰিলে।

সাগৰক সেনাপতি পতাৰ কিছুদিনৰ পাছত দেশত ইমান বৰষুণ হ'ল যে দেশৰ ছাজাৰ হাজাৰ গাঁও পানীৰ তলত গ'ল।

ৰজাই এই বিষয়তো সাগৰৰপৰা সহায় বিচৰাত সাগৰ পুনৰ সেই দৈত্যটোৰ কাষ চাপিল আৰু বানপানীৰ কবলৰপৰা দেশৰ ৰাইজক ৰক্ষা কৰিবলৈ তাৰ সহায় প্ৰাৰ্থনা কৰিলে। দৈত্যটো তেতিয়াই ওলাই পৰিল আৰু সি হাতেৰে ছুই ছুই সকলো ঠাইৰ পানী নোহোৰা কৰি দিলে।

এইবাৰো ৰজাই সাগৰৰ সহায়ত দেশ-ৰক্ষা কৰিব পৰা হ'ল আৰু সাগৰৰ সৈতে ৰাজকুঁৱৰী নানন্দাৰ বিয়া পাতি দিলে।

দিব তোমাক।”

বাঘ দেখি সাগৰৰ বাঘৰ বুকুলৈ যোৰা যেন লাগিল। লগে লগে সেই বাঘ হুটা এহাল দৰা-কইনা হৈ গ'ল। কইনাৰ গাত আছিল ঢেৰ সোণৰ আৰু হীৰাৰ অলংকাৰ। সাগৰে দৰা-কইনাহালক লগত লৈ নগৰত থকা ধৰমশালালৈ গ'ল।

মাজনিশা ধৰমশালাত হুটা চোৰ সোমালহি। চোৰ হুটাই কইনাৰ গাৰপৰা অলংকাৰখিনি কাঢ়ি লোৱাৰ চেষ্টা কৰা মাত্রেই দৰ আৰু কইনা হুটা বাঘ-বাঘিনী হৈ গ'ল আৰু থাপ মাৰি হুয়োটা চোৰক ধৰি পেলালে আৰু তাৰ পাছত বাঘ-বাঘিনী অদৃশ্য হৈ পৰিল।

বাঘৰ গৰ্জন আৰু চোৰৰ কান্দোন শুনি ধৰমশালাৰ মানুহ দৌৰি আহিল আৰু চোৰ হুটাৰ লগতে সাগৰকো ধৰি ৰজাৰ ওচৰলৈ লৈ গ'ল।

ৰজাৰ অগ্নিমূৰ্তি দেখি চোৰ হুটাই আচল কথা কৈ দিলে। সিহঁতে ক'লে যে সেনাপতি আৰু গাঁওবুঢ়াৰপৰা সহায়-সৰথি পাইহে সিহঁতে ইমানদিন ধৰি নিঃচিন্ত মনেৰে চুৰি কৰি আছিল। ৰজাই সেনাপতি আৰু গাঁওবুঢ়াক কাৰাগাৰত ভৰাই থ'বলৈ আদেশ দিলে আৰু সাগৰক সেনাপতিৰ পদত নিযুক্ত কৰিলে।

সাগৰক সেনাপতি পতাৰ কিছুদিনৰ পাছত দেশত ইমান বৰষুণ হ'ল যে দেশৰ ছাজাৰ হাজাৰ গাঁও পানীৰ তলত গ'ল।

ৰজাই এই বিষয়তো সাগৰৰপৰা সহায় বিচৰাত সাগৰ পুনৰ সেই দৈত্যটোৰ কাষ চাপিল আৰু বানপানীৰ কবলৰপৰা দেশৰ ৰাইজক ৰক্ষা কৰিবলৈ তাৰ সহায় প্রার্থনা কৰিলে। দৈত্যটো তেতিয়াই ওলাই পৰিল আৰু সি হাতেৰে ছুই ছুই সকলো ঠাইৰ পানী নোহোৰা কৰি দিলে।

এইবাৰো ৰজাই সাগৰৰ সহায়ত দেশ-ৰক্ষা কৰিব পৰা হ'ল আৰু সাগৰৰ সৈতে ৰাজকুঁৱৰী নানন্দাৰ বিয়া পাতি দিলে।

বিয়া কৰাৰ কিছুদিনৰ অন্তত সাগৰে দৈত্যটোৰ খবৰ ল'বলৈ পুনৰ অৰণ্যলৈ গ'ল। দৈত্যটোৱে তাক দেখা পোৱামাত্রেই কৈ উঠিল, "হেৰ মানুহৰ পোৱালি, তই আৰু আৰু কেতিয়াও মোৰ ওচৰত নাহিবি। মই তোৰ হাতৰপৰা আৰু পানীও নাখাওঁ।" এই বুলি কৈ, দৈত্যটো খন্তেকতে নোহোৱা হৈ পৰিল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্রমাদিত্যক ক'লে, "হে ৰজা, যিটো উদাৰচিতীয়া দৈত্যই সাগৰক সর্বপ্রকাৰে সহায় কৰি আছিল, সাগৰে বিয়া কৰোৱাৰ পাছত হঠাৎ তাৰ প্রতি বিৰূপ হ'ল কিয়? দৈত্যই নিশ্চয় ৰাজকুঁৱৰীক বিয়া কৰোৱাৰ ইচ্ছা মনত পোষণ নকৰিছিল, কিয়নো সি হ'ল দানৱ। এতেকে—এই বিয়া উপলক্ষ্যে সাগৰৰ সৈতে তাৰ ঈর্ষাৰ কোনো ঠাই নেদেখোঁ। তথাপি দৈত্যই এনে অস্বাভাৱিক আচৰণ কৰিছিল কিয়? সঠিককৈ জানিও যদি মোৰ প্রশ্নৰ উত্তৰ নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব—এই কথা ধ্রুপ।"

বেতালৰ এই প্রশ্নৰ উত্তৰত ৰজা বিক্রমাদিত্যই ক'লে, "সাগৰে যিমান দিনলৈ দহোৱাইজৰ স্বার্থ পূৰণ কৰিছিল, সিমান দিনলৈ দৈত্যটোৱেও তাক সহায় কৰাত প্রকৃত আগ্রহী আছিল; কিন্তু ৰাজকুঁৱৰীক বিয়া কৰোৱাত দৈত্যটোৱে সাগৰক বেয়া পাইছিল। কিয়নো, সাগৰে তাক তুলি-তালি ডাঙৰ-দীঘল কৰা তাৰ পিতৃস্বৰূপ ৰাজনাৰায়ণৰ কথা সমূলি পাহৰি গৈছিল। অতীতৰ সহায়কাৰীক পাহৰি, অচলাক বিয়া নকৰোৱাত, দৈত্যই সাগৰক অকৃতজ্ঞ বুলি ভাবিছিল আৰু তাৰপৰা বিদায় লৈ গুচি গৈছিল।"

বিক্রমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



বিয়া কৰাৰ কিছুদিনৰ অন্তত সাগৰে দৈত্যটোৰ খবৰ ল'বলৈ পুনৰ অৰণ্যলৈ গ'ল। দৈত্যটোৱে তাক দেখা পোৱামাত্রেই কৈ উঠিল, "হেৰ মানুহৰ পোৱালি, তই আৰু আৰু কেতিয়াও মোৰ ওচৰত নাহিবি। মই তোৰ হাতৰপৰা আৰু পানীও নাখাওঁ।" এই বুলি কৈ, দৈত্যটো খন্তেকতে নোহোৱা হৈ পৰিল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্রমাদিত্যক ক'লে, "হে ৰজা, যিটো উদাৰচিতীয়া দৈত্যই সাগৰক সৰ্বপ্ৰকাৰে সহায় কৰি আছিল, সাগৰে বিয়া কৰোৱাৰ পাছত হঠাৎ তাৰ প্ৰতি বিৰূপ হ'ল কিয়? দৈত্যই নিশ্চয় ৰাজকুঁৱৰীক বিয়া কৰোৱাৰ ইচ্ছা মনত পোষণ নকৰিছিল, কিয়নো সি হ'ল দানৱ। এতেকে—এই বিয়া উপলক্ষ্যে সাগৰৰ সৈতে তাৰ ঈৰ্ষাৰ কোনো ঠাই নেদেখোঁ। তথাপি দৈত্যই এনে অস্বাভাৰিক আচৰণ কৰিছিল কিয়? সঠিককৈ জানিও যদি মোৰ প্ৰশ্নৰ উত্তৰ নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব—এই কথা ধ্ৰুপ।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্রমাদিত্যই ক'লে, "সাগৰে যিমান দিনলৈ দহোৱাইজৰ স্বাৰ্থ পূৰণ কৰিছিল, সিমান দিনলৈ দৈত্যটোৱেও তাক সহায় কৰাত প্ৰকৃত আগ্ৰহী আছিল; কিন্তু ৰাজকুঁৱৰীক বিয়া কৰোৱাত দৈত্যটোৱে সাগৰক বেয়া পাইছিল। কিয়নো, সাগৰে তাক তুলি-তালি ডাঙৰ-দীঘল কৰা তাৰ পিতৃস্বৰূপ ৰাজনাৰায়ণৰ কথা সমূলি পাহৰি গৈছিল। অতীতৰ সহায়কাৰীক পাহৰি, অচলাক বিয়া নকৰোৱাত, দৈত্যই সাগৰক অকৃতজ্ঞ বুলি ভাবিছিল আৰু তাৰপৰা বিদায় লৈ গুচি গৈছিল।"

বিক্রমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



নিযুক্তিৰ যুক্তি

কাঞ্চনদেশৰ ৰজা কুমাৰবৰ্মা আছিল অতি প্ৰখৰ দৃষ্টিসম্পন্ন ৰজা। তেওঁৰ প্ৰখৰ দৃষ্টি ফাঁকি দি সাৰি যোৱাটো আছিল তেনেই অসম্ভৱ কথা।

এদিন মহাৰাজ কুমাৰবৰ্মাদেৱে উদ্যানত ফুৰি থাকোঁতে মালীৰ কাম বনলৈ চাই বুজি পালে যে এই মালীয়ে ফুলনিৰ কাম-বন একো নাজানে। ৰজাই মালীক ক'লে, "আগতে ইয়াত যিজন মালীয়ে কাম কৰিছিল, সি ক'ত আছে?"

নতুন মালীয়ে ক'লে, "মহাৰাজ, তাক সাপে খুটিলে। সেই কাৰণে মোক ইয়াত কাম কৰিবলৈ উদ্যানৰক্ষকে পঠিয়াইছে।"

"তুমি আগতেও এই কামকে কৰিছিলানে বাৰু?" মহাৰাজে সুধিলে।

"মই উদ্যানৰক্ষকৰ ঘৰত ইটো-সিটো টুক-টাক কাম-বন কৰিছিলোঁ।" নতুন মানুহজনে ক'লে।

মহাৰাজে মানুহজনক আন কোনো প্ৰশ্ন নকৰাকৈ প্ৰাসাদলৈ গ'লগৈ।

পাছদিনা মহাৰাজে নগৰপাল, হাতীশালাৰ ৰক্ষক আৰু ৰাজপ্ৰাসাদৰ ৰক্ষকইঁতকো মতাই অনালে আৰু ক'লে, "মই আন এজন দেহৰক্ষীক নিযুক্ত কৰিবলৈ বিচাৰোঁ। এই দেহৰক্ষী সাহসী, শক্তিমান আৰু উপস্থিবুদ্ধিসম্পন্ন হ'ল লাগিব। এনেকুৱা কাৰোবাক বিচাৰি পালে মোৰ ওচৰত পঠাব লাগিব।"

ৰজাই এই কথা কোৱাৰ সাতদিনৰ ভিতৰত তিনিজন ৰাজকৰ্মচাৰীয়ে বিভিন্ন সময়ত মহাৰাজক লগ ধৰিলেগৈ। ৰজাই তেওঁলোকক কিছুমান প্ৰশ্ন কৰিলে, আৰু

ৰূপেন বড়া

নিযুক্তিৰ যুক্তি

কাঞ্চনদেশৰ ৰজা কুমাৰবৰ্মা আছিল অতি প্ৰখৰ দৃষ্টিসম্পন্ন ৰজা। তেওঁৰ প্ৰখৰ দৃষ্টি ফাঁকি দি সাৰি যোৱাটো আছিল তেনেই অসম্ভৱ কথা।

এদিন মহাৰাজ কুমাৰবৰ্মাদেৱে উদ্যানত ফুৰি থাকোঁতে মালীৰ কাম বনলৈ চাই বুজি পালে যে এই মালীয়ে ফুলনিৰ কাম-বন একো নাজানে। ৰজাই মালীক ক'লে, "আগতে ইয়াত যিজন মালীয়ে কাম কৰিছিল, সি ক'ত আছে?"

নতুন মালীয়ে ক'লে, "মহাৰাজ, তাক সাপে খুটিলে। সেই কাৰণে মোক ইয়াত কাম কৰিবলৈ উদ্যানৰক্ষকে পঠিয়াইছে।"

"তুমি আগতেও এই কামকে কৰিছিলানে বাৰু?" মহাৰাজে সুধিলে।

"মই উদ্যানৰক্ষকৰ ঘৰত ইটো-সিটো টুক-টাক কাম-বন কৰিছিলোঁ।" নতুন মানুহজনে ক'লে।

মহাৰাজে মানুহজনক আন কোনো প্ৰশ্ন নকৰাকৈ প্ৰাসাদলৈ গ'লগৈ।

পাছদিনা মহাৰাজে নগৰপাল, হাতীশালাৰ ৰক্ষক আৰু ৰাজপ্ৰাসাদৰ ৰক্ষক-ইঁতকো মতাই অনালে আৰু ক'লে, "মই আন এজন দেহৰক্ষীক নিযুক্ত কৰিবলৈ বিচাৰোঁ। এই দেহৰক্ষী সাহসী, শক্তিমান আৰু উপস্থিবুদ্ধিসম্পন্ন হ'ল লাগিব। এনেকুৱা কাৰোবাক বিচাৰি পালে মোৰ ওচৰত পঠাব লাগিব।"

ৰজাই এই কথা কোৱাৰ সাতদিনৰ ভিতৰত তিনিজন ৰাজকৰ্মচাৰীয়ে বিভিন্ন সময়ত মহাৰাজক লগ ধৰিলেগৈ। ৰজাই তেওঁলোকক কিছুমান প্ৰশ্ন কৰিলে, আৰু

ৰূপেন বড়া

পাছত জনাব বুলি কৈ, বিদায় দিলে।

তাৰ পাছত এদিন মহাৰাজ কুমাৰবৰ্মাই তেওঁৰ মন্ত্ৰী আৰু প্ৰধান ৰাজকৰ্মচাৰীসকলক মতাই অনাই ক'লে, "নতুন দেহৰক্ষীৰ পদ বিচাৰি প্ৰধান প্ৰধান প্ৰধান ৰাজকৰ্মচাৰীসকলৰ মাজৰপৰা তিনিজনে মোৰ কাষ চাপিছিল। উচ্চপদস্থ ৰাজকৰ্মচাৰীসকলৰ সহযোগিতা বিনে এওঁলোকে মোৰ ওচৰ চাপিব নোৱাৰিলেহেঁতেন। কথা হ'ল—ঠিক এই মুহূৰ্তত মই দেহৰক্ষী নলওঁ। মোৰ ঘোষণা শুনি কোনে কি কৰে তাকে চাবলৈহে মই এই ঘোষণা কৰিছিলোঁ।"

মন্ত্ৰী মংগলশৰ্মাই ৰজাক ক'লে, "মহাৰাজে নিশ্চয় এটা পৰীক্ষা ল'লে; কিন্তু এই পৰীক্ষাৰ হেতু জনা নগ'ল।"

মহাৰাজ কুমাৰবৰ্মাদেৱে মিচিকীয়াই হাঁহি মাৰি ক'লে, "আমাৰ উদ্যানত মালীৰ কাম কৰি থকা মানুহজনে কেতিয়াও মালীৰ কাম কৰিছিল বুলি ভবা টান। মানুহজনে এইবোৰ কাম সমূলি নাজানে। এইজন মানুহে অধিক দিন উদ্যানত কাম কৰিলে উদ্যানখন ধ্বংস হ'ব।"

এই কথা শুনি উদ্যানৰক্ষক তলমূৰ হ'ল। কুমাৰবৰ্মাই উদ্যানৰক্ষকলৈ চাই ক'লে, "এজন সাধাৰণ উদ্যানৰক্ষকে যদি আন এজন একেবাৰে কাম-বন নজনাক উদ্যানৰ কাম কৰিবলৈ লগাইছে, তেনেহ'লে মোৰ অধীনত থকা ডাঙৰ ডাঙৰ কৰ্মচাৰীসকলে কাক কি কৰিবলৈ দিছে, দেশখন কেনেকৈ চলিছে—সেই কথাটো কোনে ক'ব? যি কি নহওক—এতিয়াৰপৰা যিকোনো পদৰ বাবে কাৰোবাক নিযুক্ত কৰিবলৈ হ'লে সেই পদপ্ৰাৰ্থীৰ যথাযোগ্য পৰীক্ষা ল'ব লাগিব।"

এই ঘটনাৰ পাছৰপৰা যোগ্যতাৰ বিচাৰ কৰি কৰ্মী নিযুক্ত কৰা হ'ল আৰু তাৰ ফলত দেশখন সমৃদ্ধ হৈ উঠিল।



পাছত জনাব বুলি কৈ, বিদায় দিলে।

তাৰ পাছত এদিন মহাৰাজ কুমাৰবৰ্মাই তেওঁৰ মন্ত্ৰী আৰু প্ৰধান ৰাজকৰ্মচাৰীসকলক মতাই অনাই ক'লে, "নতুন দেহৰক্ষীৰ পদ বিচাৰি প্ৰধান প্ৰধান প্ৰধান ৰাজকৰ্মচাৰীসকলৰ মাজৰপৰা তিনিজনে মোৰ কাষ চাপিছিল। উচ্চপদস্থ ৰাজকৰ্মচাৰীসকলৰ সহযোগিতা বিনে এওঁলোকে মোৰ ওচৰ চাপিব নোৱাৰিলেহেঁতেন। কথা হ'ল—ঠিক এই মুহূৰ্তত মই দেহৰক্ষী নলওঁ। মোৰ ঘোষণা শুনি কোনে কি কৰে তাকে চাবলৈহে মই এই ঘোষণা কৰিছিলোঁ।"

মন্ত্ৰী মংগলশৰ্মাই ৰজাক ক'লে, "মহাৰাজে নিশ্চয় এটা পৰীক্ষা ল'লে; কিন্তু এই পৰীক্ষাৰ হেতু জনা নগ'ল।"

মহাৰাজ কুমাৰবৰ্মাদেৱে মিচিকীয়াই হাঁহি মাৰি ক'লে, "আমাৰ উদ্যানত মালীৰ কাম কৰি থকা মানুহজনে কেতিয়াও মালীৰ কাম কৰিছিল বুলি ভবা টান। মানুহজনে এইবোৰ কাম সমূলি নাজানে। এইজন মানুহে অধিক দিন উদ্যানত কাম কৰিলে উদ্যানখন ধ্বংস হ'ব।"

এই কথা শুনি উদ্যানৰক্ষক তলমূৰ হ'ল। কুমাৰবৰ্মাই উদ্যানৰক্ষকলৈ চাই ক'লে, "এজন সাধাৰণ উদ্যানৰক্ষকে যদি আন এজন একেবাৰে কাম-বন নজনাক উদ্যানৰ কাম কৰিবলৈ লগাইছে, তেনেহ'লে মোৰ অধীনত থকা ডাঙৰ ডাঙৰ কৰ্মচাৰীসকলে কাক কি কৰিবলৈ দিছে, দেশখন কেনেকৈ চলিছে—সেই কথাটো কোনে ক'ব? যি কি নহওক—এতিয়াৰপৰা যিকোনো পদৰ বাবে কাৰোবাক নিযুক্ত কৰিবলৈ হ'লে সেই পদপ্ৰাৰ্থীৰ যথাযোগ্য পৰীক্ষা ল'ব লাগিব।"

এই ঘটনাৰ পাছৰপৰা যোগ্যতাৰ বিচাৰ কৰি কৰ্মী নিযুক্ত কৰা হ'ল আৰু তাৰ ফলত দেশখন সমৃদ্ধ হৈ উঠিল।



গোল গুম্বজ

মুহম্মদ আদিল শ্বাহ ঘোৰীয়ে নিৰ্মাণ কৰা গোল গুম্বজ দক্ষিণ ভাৰতৰ দৰ্শনীয় বস্তুৰ অন্যতম। দৰ্শকৰ ওচৰত অতি আকৰ্ষণীয় এই গুম্বজটো আধা ঘূৰণীয়াকৈ অষ্টভুজ স্তম্ভৰ দ্বাৰা অতিকৈ সুন্দৰ তথা নিপুণভাৱে নিৰ্মিত।

আমাৰ দেশৰ বিচিত্ৰ কথা

গোল গুম্বজ

মুহম্মদ আদিল শ্বাহ ঘোৰীয়ে নিৰ্মাণ কৰা গোল গুম্বজ দক্ষিণ ভাৰতৰ দৰ্শনীয় বস্তুৰ অন্যতম। দৰ্শকৰ ওচৰত অতি আকৰ্ষণীয় এই গুম্বজটো আধা ঘূৰণীয়াকৈ অষ্টভুজ স্তম্ভৰ দ্বাৰা অতিকৈ সুন্দৰ তথা নিপুণভাৱে নিৰ্মিত।

তুৰ্কীৰ ছুলতান বংশৰ কনিষ্ঠ য়ুছুফ আদিলখাহই বিজাপুৰ অধিকাৰ কৰি ভাৰতত আদিলখাহ বংশৰ স্থাপনা কৰিছিল। মুৰাদৰ মৃত্যুৰ অন্তত নিয়ম মতে জ্যেষ্ঠ পুত্ৰক সিংহাসনত অধিষ্ঠিত কৰা হৈছিল। কিন্তু তাৰ পাছত চক্ৰান্তকাৰীহঁতে অন্যান্য পুত্ৰক হত্যা কৰাৰ আঁচনি কৰিছিল। য়ুছুফ আছিল সেই সকলৰ অন্যতম।

সিংহাসনৰ কোনো প্ৰতিদ্বন্দ্বী নথকালৈ য়ুছুফৰ দৃঢ়সংকল্পৰ কথা জানিব পাৰি য়ুছুফৰ আম্মাই [মা] তেওঁৰ অন্যান্য পুত্ৰক ৰক্ষা কৰিবলৈ এটি পৰিকল্পনা ল'লে। এই পৰিকল্পনা ল'লে তেওঁৰ বিশ্বস্ত লোকসকলৰ সহযোগত।

তেওঁৰ বিশ্বস্ত লোকসকলৰ মাজত এজনে হিন্দুস্থানলৈ [ভাৰতবৰ্ষলৈ] যাবলৈ সাজু হৈ থকা আন এজন ব্যক্তিক লগ ধৰিলে। এই ব্যক্তিৰ সৈতে দেখাত ঠিক য়ুছুফৰ দৰে এজন ক্ৰীতদাসক ৰাজপোছাক পিন্ধাই য়ুছুফৰ প্ৰাসাদলৈ বুলি পঠোৱা হ'ল আৰু চক্ৰান্তকাৰীহঁতে এই ক্ৰীতদাসকে য়ুছুফ বুলি ভাবি হত্যা কৰিলে।

তুৰ্কীৰ ছুলতান বংশৰ কনিষ্ঠ য়ুছুফ আদিলখাহই বিজাপুৰ অধিকাৰ কৰি ভাৰতত আদিলখাহ বংশৰ স্থাপনা কৰিছিল। মুৰাদৰ মৃত্যুৰ অন্তত নিয়ম মতে জ্যেষ্ঠ পুত্ৰক সিংহাসনত অধিষ্ঠিত কৰা হৈছিল। কিন্তু তাৰ পাছত চক্ৰান্তকাৰীঃতে অন্যান্য পুত্ৰক হত্যা কৰাৰ আঁচনি কৰিছিল। য়ুছুফ আছিল সেই সকলৰ অন্যতম।

সিংহাসনৰ কোনো প্ৰতিদ্বন্দ্বী নথকালৈ য়ুছুফৰ দৃঢ়সংকল্পৰ কথা জানিব পাৰি য়ুছুফৰ আম্মাই [মা] তেওঁৰ অন্যান্য পুত্ৰক ৰক্ষা কৰিবলৈ এটি পৰিকল্পনা ল'লে। এই পৰিকল্পনা ল'লে তেওঁৰ বিশ্বস্ত লোকসকলৰ সহযোগত।

তেওঁৰ বিশ্বস্ত লোকসকলৰ মাজত এজনে হিন্দুস্থানলৈ [ভাৰতবৰ্ষলৈ] যাবলৈ সাজু হৈ থকা আন এজন ব্যক্তিক লগ ধৰিলে। এই ব্যক্তিৰ লৈতে দেখাত ঠিক য়ুছুফৰ দৰে এজন ক্ৰীতদাসক ৰাজপোছাক পিন্ধাই য়ুছুফৰ প্ৰাসাদলৈ বুলি পঠোৱা হ'ল আৰু চক্ৰান্তকাৰীইতে এই ক্ৰীতদাসকে য়ুছুফ বুলি ভাবি হত্যা কৰিলে।

নকলী য়ুছুফৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ পাছত আচল য়ুছুফ বেপাৰীইঁতৰ লগত মিলি-জুলি হিন্দুস্থানতে থাকি গ'ল।

য়ুছুফে ৰিদৰ ৰাজ্যৰ ছুলতানৰ অধীনত কাম ল'লে আৰু কৰ্মনৈপুণ্য প্ৰদৰ্শন কৰি কিছুদিনৰ পাছত বিজাপুৰৰ শাসক ৰূপে নিযুক্তি পালে। ১৪৮৯ খ্ৰিষ্টাব্দত আদিলশ্বাহৰ ককায়েকে বিজাপুৰক এক স্বতন্ত্ৰ অঞ্চলৰূপে ঘোষণা কৰিলে।

ছুলতান আদিলশ্বাহই নিৰ্মাণ কৰা দৰ্শনীয় প্ৰাসাদ সমূহৰ অন্যতম হ'ল গোল গুম্বজ। ঐতিহাসিক ঘটনাৰ ফালৰপৰা ঘোৰী বংশই একাধিক কাৰণে দ্বিতীয় স্থান অধিকাৰ কৰিছে। গোল গুম্বজৰ কাষেদি কোনোবাই খোজ কাঢ়ি গ'লে বিৰাট সৈন্যবাহিনী গৈ থকা যেন লাগে।



নকলী য়ুছুফৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ পাছত আচল য়ুছুফ বেপাৰীইঁতৰ লগত মিলি-জুলি হিন্দুস্থানতে থাকি গ'ল।

য়ুছুফে ৰিদৰ ৰাজ্যৰ ছুলতানৰ অধীনত কাম ল'লে আৰু কৰ্মনৈপুণ্য প্ৰদৰ্শন কৰি কিছুদিনৰ পাছত বিজাপুৰৰ শাসক ৰূপে নিযুক্তি পালে। ১৪৮৯ খ্ৰিষ্টাব্দত আদিলশ্বাহৰ ককায়েকে বিজাপুৰক এক স্বতন্ত্ৰ অঞ্চলৰূপে ঘোষণা কৰিলে।

ছুলতান আদিলশ্বাহই নিৰ্মাণ কৰা দৰ্শনীয় প্ৰাসাদ সমূহৰ অন্যতম হ'ল গোল গুম্বজ। ঐতিহাসিক ঘটনাৰ ফালৰপৰা ঘোৰী বংশই একাধিক কাৰণে দ্বিতীয় স্থান অধিকাৰ কৰিছে। গোল গুম্বজৰ কাষেদি কোনোবাই খোজ কাঢ়ি গ'লে বিৰাট সৈন্যবাহিনী গৈ থকা যেন লাগে।



বিজাপুৰৰ অন্যতম দৰ্শনীয় হ'ল জুমা মছজিদ। আলী আদিলশ্বাহৰ শাসন কালত এই মছজিদ নিৰ্মিত হৈছিল। এই মছজিদত একেলগে ২২৫০ জনে আল্লাহৰ উপাসনা কৰিব পাৰে।

নগৰৰ পশ্চিম দিশত মালিক-ঈ-ময়দান নামৰ এটা বিশাল বৰতোপ আছে। বিজাপুৰ আৰু অন্যান্য দেশৰ বিৰুদ্ধে যুদ্ধকালত এই বৰতোপ ব্যৱহৃত হৈছিল। এই বৰতোপটো বহু যুদ্ধৰ সাক্ষী।



আফজল খাঁৰ দেহ সমাধিস্থ কৰাৰ বাবে আগতীয়াকৈ যি কবৰ খন্দা হৈছিল, সেই কবৰত তেওঁক সমাধিস্থ কৰিব পৰা হোৱা নাছিল। কিয়নো ছত্ৰপতি শিৱাজীক হত্যা কৰাৰ বাবে গৈ আফজল খাঁ নিজেই শিৱাজীৰ হাতত নিহত হৈছিল। শিৱাজীয়ে আফজল খাঁ-ক 'বাঘনখ' নামৰ অস্ত্ৰেৰে ফালি পেলাই পুতি থৈছিল।



উপহাৰ

গছে-বনে ভৰপূৰ শ্ৰীপুৰলৈ প্ৰচুৰ সংখ্যক ভ্ৰমণাৰ্থী আহিছিল। এই ঠাইৰ জল-বায়ুও অতি ভাল, আৰু প্ৰাকৃতিক সৌন্দৰ্য্যও আছিল পাহৰিব নোৱৰা বিধৰ। ইয়াত নীলকণ্ঠ নামৰ প্ৰৌঢ় মানুহ এজনে ভ্ৰমণাৰ্থীসকলৰ ইটো-সিটো কাম কৰি দিছিল, বিভিন্ন সহায় কৰিছিল। নীলকণ্ঠ অকলশৰীয়া মানুহ, এইদৰেই সি তাৰ পেট প্ৰৱৰ্তাইছিল। যিসকলক বিভিন্ন কামত সহায় কৰিছিল, তেওঁলোক উভতি যোৱাৰ আগে আগে নীলকণ্ঠই তেওঁলোকক কৈছিল, "আপোনাক জীৱনতো পাহৰিব নোৱৰা বিধৰ কিবা উপহাৰ যদি দিয়ে বৰ ভাল পাম।" ভ্ৰমণাৰ্থীসকলে নীলকণ্ঠক টকা-পইচা নাইবা আন কোনো-বিধৰ বয়-বস্তু উপহাৰস্বৰূপে দিছিল।

এবাৰ এই ঠাইলৈ এগৰাকী বিৰাট ধনী মানুহ আহিছিল। এওঁৰ নাম কেশৱ চক্ৰৱৰ্তী। তেওঁকো নীলকণ্ঠই বিভিন্ন কামত সহায় কৰিছিল আৰু কেশৱ চক্ৰৱৰ্তীও তাক ইটো-সিটো কামৰ বাবে টকা-সিকা দিলে। তাৰ পাছত কেশৱ চক্ৰৱৰ্তীয়ে এদিন নীলকণ্ঠক ক'লে যে তেওঁ কেইদিনমানৰ পাছত ইয়াৰপৰা গুচি যাব।

নীলকণ্ঠই কেশৱক ক'লে, "ইয়ালৈ যিসকল ভ্ৰমণাৰ্থী আহে, যোৱাৰ সময়ত তেওঁলোকৰ মাজত বহুতেই মোক উপহাৰ পুৰস্কাৰ কিবা-নহয় কিবা বস্তু দিয়ে। কোনোবাই আঙঠি, কোনোবাই আন কিবা দামী বস্তু, কোনোবাই টকা-পইচা। তেওঁলোকে দিয়া সকলো বস্তু মোৰ সৌ বাকচটোত ভৰাই থোৱা আছে।"

গণেশ মজিন্দাৰবৰুৱা

আগ্ৰহেৰে তাৰ কথা শুনাৰ অন্তত আঢ্যৱন্ত কেশৱ চক্ৰৱৰ্তীয়ে তাক ক'লে, "তোমাৰ বাকচত যিমানবোৰ দামী বস্তু আছে, মই সেইবোৰ বস্তুতকয়ো অধিক মূল্যৱান বস্তু তোমাক দিম।"

এই কথা শুনাৰ পাছৰপৰা কেশৱ চক্ৰৱৰ্তীৰ উভতি যোৱালৈ নীলকণ্ঠই বাট চাই থাকিল।

তাৰ পাছত এদিন নীলকণ্ঠ চুবুৰীয়া গাঁৱলৈ গ'ল আৰু তাত এটা বিশেষ কামত চাৰিটা দিন থাকিবলগীয়া হ'ল। যিদিনা উভতি আহিল, তাৰ মূৰত যেনিবা বজ্ৰঘাত হ'ল। কেশৱ চক্ৰৱৰ্তী তাত আৰু নাছিল। তেওঁ যে এইদৰে হঠাৎ গুচি যাবগৈ, নীলকণ্ঠই ভবাই নাছিল।

তাৰ পাছত বহু বছৰ বাগৰিল। নীলকণ্ঠ বুঢ়া হ'ল। নীলকণ্ঠই এতিয়া আৰু আগৰ দৰে কাম-বন কৰিব নোৱৰা ল'ৰা। এতিয়া সি কবলৈ গ'লে মগনিয়াৰ, দিন-ভিক্ষা প্ৰাণ-ৰক্ষা তাৰ সম্বল।

এদিন নীলকণ্ঠ এঠাইত বহি বহি কলমটিয়াই থাকোঁতে এখন ঘোঁৰা-বাগী তাত ৰ'লহি। ঘোঁৰা-বাগীখনত বহি থকা নীলকণ্ঠৰ চিনাকি চিনাকি যেন লগা ধনী মানুহজনে নীলকণ্ঠক ক'লে, "হেৰা, তুমি সেই—সেই নীলকণ্ঠ নহয়নে? এতিয়ানো কি কৰিছা?"

"হয় দেউতা, মই নীলকণ্ঠয়েই কৰিম আৰু কি? গাত বল-শক্তিও নাই, কোনেও মোক কোনো কাম-বনো নিদিয়ে। আগতে কত যাত্ৰীয়ে মোক কত যে বয়-বস্তু টকা-পইচা দিছিল। প্ৰতিজন ভ্ৰমণাৰ্থীয়েই কিবা-নহয়-কিবা দিছিল। কিন্তু এতিয়া আৰু— "

"প্ৰতিজনেই তোমাক কিবা-নহয়-কিবা দিছিলনে বাৰু?" মানুহজনে সুধিলে।

ধনী মানুহজনৰ এই প্ৰশ্নৰ উত্তৰত নীলকণ্ঠই গহীন মাতেৰে ক'লে, "মাত্ৰ এজন মানুহে—এজন ভ্ৰমণাৰ্থীয়ে মোক

একোৰেই দিয়া নাছিল। তেওঁৰ নাম আছিল কেশৱ চক্ৰৱৰ্তী।"

"কিন্তু—কেশৱ চক্ৰৱৰ্তীয়ে তোমাক নিদিলে কিয়? তেৱোঁ দেখোন বিৰাট ধনী মানুহ আছিল।"

"ময়ো কথাটো ভাবিছিলোঁ তেতিয়া। কিয় যে তেওঁ একো নকৈ-নেমেলি গুচি গৈছিল—মই বুজা নাছিলোঁ। তেওঁ বোধ কৰোঁ কিবা কাৰণত মোক বেয়া পাইছিল।"

ধনী মানুহজনে নীলকণ্ঠক ক'লে, "নীলকণ্ঠ, যিজন ধনী মানুহে তোমাক একোৰেই দিয়া নাছিল, তেওঁ আজি তোমাক তোমাৰ সমগ্ৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ উপহাৰ দিব।"

"কেনেকৈনো?" অবাক হৈ পৰা নীলকণ্ঠই সুধিলে, "তেওঁ ক'ত থাকে আপুনি জানেনে?"

"তেওঁ—তোমাৰ চকুৰ আগত থিয় হৈ আছে। ময়েই কেশৱ চক্ৰৱৰ্তী। তোমাক কিমান মানুহে কিমান বয়-বস্তু টকা-পইচা দিছিল, কিন্তু তেওঁলোকৰ নাম তোমাৰ মনত আছেনে? মই তোমাক একো দিয়া নাছিলোঁ, তথাপি মোক তুমি পাহৰি যোৱা নাই।"

হতবাক নীলকণ্ঠই কেশৱ চক্ৰৱৰ্তীক নীৰৱে-নিমাতে প্ৰণাম কৰিলে।

কেশৱ চক্ৰৱৰ্তীয়ে ক'লে, "আগতে, মই ইয়ালৈ অহাৰ পাছত, তুমি মোৰ আলপৈচান ধৰিছিলা, মোৰ সুখ-সুবিধালৈ সাধ্যমতে দৃষ্টি দিছিলা। আজি, ইমান দিনৰ অন্তত মই তোমাক উপহাৰ দিম। তোমাক মই মোৰ লগত আমাৰ ঘৰলৈ লৈ যাম। তোমাৰ জীৱনৰ বাকী কালছোৱা নিঃচিন্ত মনেৰে আমাৰ ঘৰতে কটাবা। এয়ে হ'ব তোমালৈ মোৰ উপহাৰ। ব'লা, আৰু পলম নকৰিবা, গাড়ীত উঠি বহাঁ।"

নীলকণ্ঠই তাৰ জীৱনৰ সমগ্ৰ সৰ্বশ্ৰেষ্ঠ উপহাৰ পালে—বাৰ্ধক্যৰ আশ্ৰয়।

গৰজ

শ্যাম-নিকেতন গাঁৱৰ কনকবৰণক তিমিৰকিৰণ নামৰ মানুহ এজনে মাজে-মধ্যে এটকাত পাঁচটাকৈ কল বেচিছিল। তিমিৰকিৰণৰ কলৰ বাৰী আছিল আন এখন গাঁৱত. কনকবৰণৰ ঘৰৰপৰা সেই কলৰ বাৰী আছিল বহু দূৰৰ বাট।

এবাৰ কনকবৰণৰ বহু সংখ্যক কলৰ আৱশ্যক হ'ল কিবা এক উৎসৱ উপলক্ষ্যে। কনকবৰণৰ গ'ল তিমিৰকিৰণৰ ঘৰলৈ। এশ কল লাগে। আৰু লাগে এতিয়াই

তিমিৰকিৰণে তাৰ কলৰ বাৰীৰপৰা কনকবৰণক এশটা কল দিলে। এশটা কলৰ বাবে তিমিৰকিৰণে কনকবৰণৰপৰা বিছ টকা খুজিলে।

কনকবৰণে অবাক হৈ ক'লে, "কি কোৱাঁহে! হেৰা তিমিৰ, ইমান দূৰৰপৰা কল বঢ়িয়াই নি, খোজ কাঢ়ি গৈ. তুমি টকাত পাঁচটাকৈ কল বেচিছিলা। এতিয়া—মই নিজে ইমান দূৰ খোজ কাঢ়ি আহিলোঁ—আৰু তুমি একেই দাম খুজিছা ? ইনো কেনে কথা!"

কনকবৰণৰ কথাৰ উত্তৰত তিমিৰকিৰণে মিচিকীয়াই হাঁহি মাৰি ক'লে. "বস্তুৰ দাম-দৰ কিনোতাৰ গৰজৰ ওপৰতহে নিৰ্ভৰ। মই যেতিয়া কল কঢ়িয়াই লৈ যাওঁ, তেতিয়া মোৰ গৰজতহে যাওঁ। এতিয়া—আপুনি আপোনাৰ গৰজত আহিল। গতিকে—কলৰ দাম নকমে।"

উত্তৰ-ৰামায়ণ

১১

লৱণাসুৰ যেতিয়া খাদ্য সংগ্ৰহৰ বাবে মধুপুৰৰ বাজ হ'ল, ঠিক তেতিয়াই যমুনা নদী পাৰ হৈ শত্ৰুঘ্ন মধুপুৰলৈ আহিল।

বিভিন্ন জন্তু-জানোৱাৰ চিকাৰ কৰি লৱণাসুৰ পুনৰ মধুপুৰলৈ উভতি আহিল, আৰু তাত শত্ৰুঘ্নক দেখা পালে। শত্ৰুঘ্নক দেখা পাই পোনতে লৱণ দমি গ'ল; কিন্তু পাছমুহূৰ্ততে হা হাকৈ অট্টহাঁহিৰে গগন কঁপাই কৈ উঠিল, "বঢ়িয়া! বহুদিন মানুহৰ মঙহৰ জুতি লোৱা নাই, আজি মোৰ বৰ বঢ়িয়া দিন!"

লৱণাসুৰৰ কথাৰ উত্তৰত খঙতে ৰঙা পৰা শত্ৰুঘ্নই ক'লে, "হেৰ লৱণ, মই তোক বধ কৰিবলৈহে আহিছোঁ, তোৰ খাদ্য হ'বলৈ অহা নাই। মই ভুৱনবিদিত মহাৰাজ দশৰথৰ পুত্ৰ, শ্ৰীৰামচন্দ্ৰৰ কনিষ্ঠ ভ্ৰাতা। মোৰ নাম শত্ৰুঘ্ন। আজি তই মোৰ হাততে মৰিবি, কোনেও তোক আজি ৰক্ষা কৰিব নোৱাৰিব।"

লৱণাসুৰে বিদ্ৰুপাত্মক হাঁহিৰে ক'লে, "ৰামে মোৰ দূৰ সম্পৰ্কৰ মোমাই ৰাৱণক বধিলে ঠিকেই, কিন্তু মই তোমালোকক ভৰিৰ তলৰ তৃণতকৈ অধিক একো বুলি গণ্য নকৰোঁ। তোমাৰ নিচিনা ৰণুৱাক মই খেৰ-কুটাৰ দৰে ফুঁতে উৰাই দিব পাৰোঁ। আহিছা যদি—অলপ ৰ'বা, মই অস্ত্ৰ লৈ আহোঁগৈ।"

"তই মোৰপৰা ইমান সহজতে ৰেহাই

'শম্বুক বধ'

নাপাবি, ইয়াৰপৰা তোক গুচি যাবলৈ নিদিওঁ মই। তোক মই এতিয়াই বধিম।” শত্ৰুঘ্নই শত্ৰু লৱণক ক'লে।

শত্ৰুঘ্নৰ অহংকাৰী কথা শুনি দাঁত-মুখ কৰচি লৱণাসুৰে তাৰ হাতত থকা মৃত জন্তু জানোৱাৰবিলাকক দলিয়াই পেলাই, ডাঙৰ ডাঙৰ গছ-বিৰিখ উপাৰি আনি শত্ৰুঘ্নলৈ দলিয়াবলৈ ধৰিলে। হঠাৎ এজোপা গছ শত্ৰুঘ্নৰ শিৰত পৰিল আৰু শত্ৰুঘ্ন মূৰ্ছিত হৈ বাগৰি পৰিল। লৱণাসুৰে শত্ৰুঘ্নৰ মৃত্যু হোৱা বুলি ভাবিলে আৰু সেই কথা ভাবি সি কোনো অস্ত্ৰ বা সেই ত্ৰিশূলপাটো ননা হ'ল।

তাৰ পাছত, চিকাৰ কৰি লৈ অহা জন্তুবিলাক বুটলি লৈ লৱণাসুৰ পুনৰ তাৰ প্ৰাসাদলৈ গৈ থাকিল, আৰু ঠিক এনেতে শত্ৰুঘ্নৰ চেতনা ঘূৰি আহিল।

আৰু লগে লগে শত্ৰুঘ্নই শ্ৰীৰামচন্দ্ৰ-প্ৰদত্ত সেই অব্যৰ্থ কাঁড়পাট তীব্ৰ বেগে লৱণাসুৰলৈ বুলি নিক্ষেপ কৰিলে। মুহূৰ্ত্ততে লৱণাসুৰৰ মৃত্যু হল। পাছ মুহূৰ্ত্ততে শিৱৰ প্ৰদত্ত ত্ৰিশূলপাট শিৱৰ ওচৰলৈ উভতি গ'ল। শত্ৰুঘ্নই মধুপুৰ অধিকাৰ কৰিলে।

মধুপুৰত বাৰ বছৰবাপী ৰাজত্ব কৰাৰ অন্তত জ্যেষ্ঠভ্ৰাতা শ্ৰীৰামচন্দ্ৰক দৰ্শন কৰাৰ মনেৰে কিছুমান সৈন্য লগত লৈ শত্ৰুঘ্ন অযোধ্যালৈ বুলি ৰাওনা কৰিলে। বাটত বাল্মীকিৰ আশ্ৰমত এনিশা যাপিলে।

শত্ৰুঘ্নক সন্মানিত অতিথিৰূপে আদৰি লৈ বাল্মীকিয়ে সসৈন্য শত্ৰুঘ্নৰ আহাৰ তথা বিশ্ৰামৰ সুবন্দবস্ত কৰিলে আৰু আহাৰাদি সমাপন হোৱাৰ অন্তত তেওঁ সত্যঘটনা-ভিত্তিক ৰামচন্দ্ৰৰ কাহিনী কৈ সকলোকে আনন্দ দান কৰিলে।

তাৰ পাছত অযোধ্যা পাই শত্ৰুঘ্নই শ্ৰীৰাম-চন্দ্ৰক ক'লে, “হে জ্যেষ্ঠভ্ৰাতা, আপোনাৰ নিৰ্দ্দেশমতে অত্যাচাৰী লৱণাসুৰক বধি মই নিজক মধুপুৰৰ ৰজা হিচাপে ঘোষণা কৰিলোঁ। দ্বাদশ বৎসৰকাল আপোনাক

নাপাবি, ইয়াৰপৰা তোক গুচি যাবলৈ নিদিওঁ মই। তোক মই এতিয়াই বধিম।" শত্ৰুঘ্নই শত্ৰু লৱণক ক'লে।

শত্ৰুঘ্নৰ অহংকাৰী কথা শুনি দাঁত-মুখ কৰচি লৱণাসুৰে তাৰ হাতত থকা মৃত জন্তু জানোৱাৰবিলাকক দলিয়াই পেলাই, ডাঙৰ ডাঙৰ গছ-বিৰিখ উপাৰি আনি শত্ৰুঘ্নলৈ দলিয়াবলৈ ধৰিলে। হঠাৎ এজোপা গছ শত্ৰুঘ্নৰ শিৰত পৰিল আৰু শত্ৰুঘ্ন মূৰ্ছিত হৈ বাগৰি পৰিল। লৱণাসুৰে শত্ৰুঘ্নৰ মৃত্যু হোৱা বুলি ভাবিলে আৰু সেই কথা ভাবি সি কোনো অস্ত্ৰ বা সেই ত্ৰিশূলপাটো ননা হ'ল।

তাৰ পাছত, চিকাৰ কৰি লৈ অহা জন্তুবিলাক বুটলি লৈ লৱণাসুৰ পুনৰ তাৰ প্ৰাসাদলৈ গৈ থাকিল, আৰু ঠিক এনেতে শত্ৰুঘ্নৰ চেতনা ঘূৰি আহিল।

আৰু লগে লগে শত্ৰুঘ্নই শ্ৰীৰামচন্দ্ৰ-প্ৰদত্ত সেই অব্যৰ্থ কাঁড়পাট তীব্ৰ বেগে লৱণাসুৰলৈ বুলি নিক্ষেপ কৰিলে। মুহূৰ্ততে লৱণাসুৰৰ মৃত্যু হল। পাছ মুহূৰ্ততে শিৱৰ প্ৰদত্ত ত্ৰিশূলপাট শিৱৰ ওচৰলৈ উভতি গ'ল। শত্ৰুঘ্নই মধুপুৰ অধিকাৰ কৰিলে।

মধুপুৰত বাৰ বছৰবাপী ৰাজত্ব কৰাৰ অন্তত জ্যেষ্ঠভ্ৰাতা শ্ৰীৰামচন্দ্ৰক দৰ্শন কৰাৰ মনেৰে কিছুমান সৈন্য লগত লৈ শত্ৰুঘ্ন অযোধ্যালৈ বুলি ৰাওনা কৰিলে। বাটত বাল্মীকিৰ আশ্ৰমত এনিশা যাপিলে।

শত্ৰুঘ্নক সন্মানিত অতিথিৰূপে আদৰি লৈ বাল্মীকিয়ে সসৈন্য শত্ৰুঘ্নৰ আহাৰ তথা বিশ্ৰামৰ সুবন্দৱস্ত কৰিলে আৰু আহাৰাদি সমাপন হোৱাৰ অন্তত তেওঁ সত্যঘটনা-ভিত্তিক ৰামচন্দ্ৰৰ কাহিনী কৈ সকলোকে আনন্দ দান কৰিলে।

তাৰ পাছত অযোধ্যা পাই শত্ৰুঘ্নই শ্ৰীৰামচন্দ্ৰক ক'লে, "হে জ্যেষ্ঠভ্ৰাতা, আপোনাৰ নিৰ্দেশমতে অত্যাচাৰী লৱণাসুৰক বধি মই নিজক মধুপুৰৰ ৰজা হিচাপে ঘোষণা কৰিলোঁ। দ্বাদশ বৎসৰকাল আপোনাক

নেদেখি মোৰ অস্বস্তি হোৱা বাবে আপোনাক দৰ্শন কৰিবলৈ আহিলোঁ।”

শ্ৰীৰামচন্দ্ৰই শত্ৰুঘ্নক আলিংগন কৰি ক'লে, “হে ভ্ৰাতা! ৰজাৰ কোঁৱৰ ৰজা নহৈ আৰু নো কি হ'ব? তুমি তোমাৰ প্ৰজাবৰ্গৰ মংগল সাধিবা আৰু নিৰপেক্ষ ভাৱে শাসন চলাবা। যেতিয়াই ইচ্ছা হ'ব, বা প্ৰয়োজন হ'ব মোৰ ওচৰলৈ আহিবা।”

কিছুদিন অযোধ্যাত অতিবাহিত কৰাৰ অন্তত শত্ৰুঘ্ন পুনৰ মধুপুৰলৈ গ'ল।

শত্ৰুঘ্ন উভতি যোৱাৰ কিছুদিনৰ অন্তত এদিন এগৰাকী দৰিদ্ৰ ব্ৰাহ্মণে তেওঁৰ মৃত পুত্ৰক ৰাজসভাৰ দুৱাৰমুখত শোৱাই থৈ ৰজাৰ বিৰুদ্ধে নানান নিন্দাসূচক উক্তি কৰি কান্দি থাকিল। ব্ৰাহ্মণৰ বক্তব্য হ'ল যে—ৰজাই যথাবিহিতভাৱে দেশৰ শাসন কৰা হ'লে দেশত কদাপি অকাল-মৃত্যু নঘটে। ইক্ষ্বাকুবংশৰ ৰজা ৰামচন্দ্ৰৰ শাসনৰ কালতহে দেশৰ অৱস্থাৰ ইমান অৱনতি হৈছে। ব্ৰাহ্মণৰ উক্তি শুনি ৰামচন্দ্ৰ দুঃখিত হ'ল আৰু তেওঁ তেওঁৰ মন্ত্ৰীবৰ্গক এনে অকাল-মৃত্যুৰ কাৰণ সুধিলে। তাত তেতিয়া বশিষ্ঠমুনি আৰু নাৰদমুনিও উপস্থিত আছিল।

নাৰদমুনিয়ে ৰামচন্দ্ৰক ক'লে, “এজন শূদ্ৰ তপস্যামগ্ন হোৱাত দেশত এনেবোৰ অকালমৃত্যু হৈছে। শূদ্ৰৰ তপস্যা যুগধৰ্ম বিৰুদ্ধ তথা শাস্ত্ৰৰো বিৰুদ্ধ কাৰ্য্য।”

তেতিয়া শ্ৰীৰামচন্দ্ৰই লক্ষ্মণক ক'লে, "হে লক্ষ্মণ, ব্ৰাহ্মণৰ মৃত পুত্ৰক তুমি এক তৈলপাত্ৰত সযতনে থৈ দিয়াগৈ।" আৰু লক্ষ্মণক এই নিৰ্দেশ প্ৰদানৰ অন্তত, পুষ্পক ৰথত উঠি, স্বয়ং শ্ৰীৰামচন্দ্ৰই পূৰ্ব, পশ্চিম আৰু উত্তৰ দিশলৈ তন্ন তন্ন কৰি সেই শূদ্ৰ তপস্যাব্ৰতীক বিচাৰিলে; কিন্তু শূদ্ৰৰ সা-সন্ধান নাপালে। তাৰ পাছত শ্ৰীৰামচন্দ্ৰ দক্ষিণদিশলৈ গ'ল, আৰু জলাশয়ত মূৰ তললৈ আৰু ভৰি ওপৰলৈ দঙা অৱস্থাত কোনোবা এজনক তপস্যা কৰি থকা দেখা পাই, ৰথৰপৰা নামি, সেই তপস্যাকাৰীক সুধিলে, "তুমি কি জাতৰ মানুহ? কিহৰ কাৰণে তুমি ইমান কঠোৰ তপস্যা কৰিছা? মই কোন— এই প্ৰশ্নই তোমাৰ মনত ভুমুকি মাৰিছে যদি—কওঁ, মই মহাৰাজ দশৰথৰ জেষ্ঠ্যপুত্ৰ ৰামচন্দ্ৰ। তোমাৰ এনে কঠোৰ তপস্যা দেখি কৌতূহল হোৱাত তোমাক সুধিছোঁ।"

তপস্যাব্ৰতীয়ে ক'লে, "হে ৰজা, মই শূদ্ৰ। মোৰ নাম শম্বূক। মই স্বৰ্গলৈ যোৱাৰ মনেৰে তপস্যাত ব্ৰতী হৈছোঁ।" আৰু— "

কিন্তু শম্বূকৰ কথা শেষ নৌহওঁতেই খাপৰপৰা তৰোৱাল উলিয়াই শ্ৰীৰামচন্দ্ৰই শম্বূকৰ ডিঙি কাটি পেলালে।

লগে লগে দেৱতাসকলে শ্ৰীৰামচন্দ্ৰলৈ পুষ্প বৃষ্টি কৰি থাকিল। চাৰিওফালে আনন্দৰ ধ্বনি উঠিল। দেৱতাসকলে শ্ৰীৰামচন্দ্ৰৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি ক'লে "তুমি এই শূদ্ৰক বধ কৰাত আমি আনন্দিত। সি যেনেকৈ তপস্যা কৰি আছিল, তাক স্বৰ্গলৈ প্ৰৱেশ কৰাৰ অধিকাৰ দিবলৈ আমি বাধ্য হ'লোহেঁতেন। তোমাক কি বৰ লাগে কোৱাঁ।"

"এটি ব্ৰাহ্মণৰপুত্ৰৰ অকালমৃত্যুক কেন্দ্ৰ কৰিহে আজিৰ এই ঘটনা ঘটিল। সেই ব্ৰাহ্মণপুত্ৰ পুনৰ্জীৱিত হোৱাটোহে মই বাঞ্ছা কৰোঁ। ৰামচন্দ্ৰই ক'লে।

"শম্বূক নিহত হোৱাৰ লগে লগে ব্ৰাহ্মণবালক পুনৰ্জীৱিত হ'ল।" এই বুলি কৈ, দেৱতাসকল তাৰপৰা গুচি গ'ল।

শ্ৰীৰামচন্দ্ৰ গ'ল অগস্ত্যমুনিৰ আশ্ৰমলৈ। অগস্ত্যই শ্ৰীৰামচন্দ্ৰক অতিথিৰূপে বৰণ কৰিলে আৰু এটি উপহাৰ আগবঢ়ালে। উপহাৰৰ বস্তুটোৰ উজ্জ্বলতা দেখি ৰামচন্দ্ৰই সুধিলে, "গুৰুদেৱ! এনে অপূৰ্ব সুউজ্জ্বল এই অপৰূপ বস্তুটো আপোনাক কোনে দিলে?"

শ্ৰীৰামচন্দ্ৰৰ এই অপাৰ কৌতূহলপূৰ্ণ প্ৰশ্নৰ উত্তৰত মহামুনি অগস্ত্যই শ্বেতৰ কাহিনী ক'বলৈ ধৰিলে:

এশ যোজন বিস্তৃত এডৰা অৰণ্যত পশু-পক্ষী একো নাছিল। জলাশয়ৰ পাৰত আছিল এখন আশ্ৰম। এই আশ্ৰমত ৰাত্ৰি যাপন কৰাৰ অন্তত অগস্ত্য সেই জলাশয়লৈ গ'ল আৰু তাত এটা মৃতদেহ দেখা পালে। মৃতদেহটো কাৰ—সেই সম্বন্ধে অগস্ত্য কৌতূহলী হৈ উঠিল। তেওঁৰ মনত এই প্ৰশ্নই মূৰ দঙাৰ পাছ মুহূৰ্ততে সুন্দৰ উজ্জ্বল ৰথ এখন এই মৃতদেহৰ কাষত নামি আহিল, আৰু ৰথৰপৰা নামি আহিল এগৰাকী দিব্যকান্তি পুৰুষ। এই দিব্যকান্তি পুৰুষজনে মৃতদেহটো ভক্ষণ কৰি, জলাশয়ৰ জলত হাত-মুখ ধুই পুনৰ ৰথোপৰি আৰোহণ কৰিবলৈ ধৰোঁতে অগস্ত্য সেই দিব্যকান্তি পুৰুষক ক'লে, "দেখাত এনে দিব্যকান্তি, অথচ ইমান বিকৃতিৰুচি? আনকি অতিশয় নীচ তথা কদৰ্য্য প্ৰকৃতিৰ মানুহেও কদাপি মনুষ্য মৃতদেহ নাখায়।"

অগস্ত্যৰ এই কৌতূহল নিৰসনাৰ্থে সেই দিব্যকান্তি পুৰুষজনাই তেওঁৰ পূৰ্বজীৱনৰ কথা অগস্ত্যক সবিস্তাৰে ক'লে:

তেওঁ আছিল বিদৰ্ভদেশৰ ৰজা সুদেৱৰ পুত্ৰ। তেওঁৰ নাম আছিল শ্বেত। সুদেৱৰ দুগৰাকী পত্নী আছিল। দুয়োগৰাকী পত্নীৰ এটিকৈ পুত্ৰ উপজিল।

ডাঙৰজন হ'ল এই শ্বেত। সৰুজনৰ নাম আছিল সুৰথ। পিতৃ সুদেৱৰ মৃত্যুৰ পাছত শ্বেতই বহুকাল ধৰি ৰাজত্ব কৰিছিল। বহু কালৰ অন্তত, ভায়েক সুৰথক ৰজা পাতি শ্বেতই তপস্যা কৰিবলৈ বনলৈ গ'ল আৰু দীৰ্ঘকাল ধৰি তপস্যা কৰি দেহৰক্ষাৰ অন্তত ব্ৰহ্মলোকলৈ গুচি গ'ল। কিন্তু ব্ৰহ্মলোকতো শ্বেতৰ ক্ষুধাৰ জোখাৰে খাদ্য নিমিলিল। তেতিয়া শ্বেতই ব্ৰহ্মাৰপৰা ইমান ক্ষুধাৰ হেতু জানিবলৈ বিচাৰিলে। কিয় কেতিয়াও ক্ষুধা নুগুচে, কি অপৰাধ এনেকুৱা অৱস্থা হ'ল, শ্বেতই এইবোৰ কথাৰ উত্তৰ বিচৰাত ব্ৰহ্মাই শ্বেতক ক'লে, "তুমি পশু-পক্ষীবিহীন অৰণ্যত থকাৰ ফলত তোমাৰ ক্ষুধাৰ কেতিয়াও প্ৰকৃত নিবৃত্তি হোৱা নাছিল। কথা মাথোন সিমানেই নহয়। কেৱল তপস্যাত মগ্ন হৈ থকাৰ ফলত তুমি তোমাৰ অতিথিসকলৰ প্ৰতি কৰণীয় কৰ্তব্য সম্পাদন কৰা নাছিলা। এইবোৰ কাৰণতে তোমাৰ ক্ষুধা তোমাৰ জঠৰত [পেটত] বিদ্যমান আছিল। তুমি তোমাৰ নিজৰ মৃতদেহ ভক্ষণ কৰি ক্ষুধাৰ নিবৃত্তি কৰি থাকিবা। বহুকালৰ অন্তত সেই জলাশয়ৰ পাৰত মহামুনি অগস্ত্যৰ আবিভাৰ হ'ব, আৰু তেওঁৰ অপাৰ মহিমাৰে তোমাৰ এই অত্যদ্ভুত সৰ্বগ্ৰাসী ক্ষুধাৰ নিবৃত্তি হ'ব।"

এই প্ৰশ্নকৰ্তাগৰাকীয়েই যে মহামুনি অগস্ত্য, দিব্যকান্তি পুৰুষগৰাকীয়ে সেই কথা বুজি পাই অগস্ত্যমুনিক ক'লে, "প্ৰভু! মোৰ জঠৰৰ এই সৰ্বগ্ৰাসী ক্ষুধাৰ নিবৃত্তি কৰি দিয়ক। মই সানন্দে আপোনাক এই বস্তুটো দিম। এইবস্তুটোৰপৰা আপুনি যেতিয়াই খুজিব তেতিয়াই শস্য, বস্ত্ৰ, খাদ্য, ধন-সোণ আৰু অলংকাৰাদি পাব।"

অগস্ত্যই এই বস্তুটো গ্ৰহণ কৰাৰ লগে লগে সেই দিব্যকান্তি পুৰুষৰ ক্ষুধাৰ নিবৃত্তি হ'ল আৰু তাৰ পাছত তেওঁ আনন্দ মনেৰে স্বৰ্গলৈ গ'ল।

শ্ৰীৰামচন্দ্ৰই অগস্ত্যক ক'লে, "হে গুৰুদেৱ! শ্বেতই তপস্যা কৰা ঠাইত পশু-পক্ষী নথকাৰ হেতু কি আছিল ক'বনে?"

অগস্ত্যই ক'বলৈ ধৰিলেঃ

সত্যযুগত মহাৰাজ মনুৱে তেওঁৰ পুত্ৰ ইক্ষাকুক সুচাৰুৰূপে ৰাজনীতি শিক্ষা দান কৰাৰ অন্তত ব্ৰহ্মালোকলৈ গ'লগৈ। ইক্ষাকুৰ আছিল এশ পুত্ৰ। এশ পুত্ৰৰ মাজত সৰ্বশেষ পুত্ৰটিৰ নাম আছিল দণ্ড। ইক্ষাকুৱে দণ্ডক পাৰ্বত্যদেশ শাসন কৰিবলৈ অধিকাৰ দিলে। দণ্ডই সেই পাৰ্বত্যাঞ্চলত মধুমন্ত নামৰ বিতোপন নগৰ সজালে আৰু শুক্ৰাচাৰ্য্যক গুৰু ৰূপে বৰণ কৰি সুকলমে দেশ শাসন কৰিবলৈ ধৰিলে।

শুক্ৰাচাৰ্য্যৰ এজনী কন্যা আছিল। কন্যাজনীৰ নাম অৰজ। অৰজৰ ৰূপমুগ্ধ দণ্ডই অৰজক বিবাহ কৰাব খোজাত অৰজে দণ্ডক ক'লে যে এই প্ৰস্তাৱৰ কথা শুনি তাইৰ পিতৃয়ে অৰ্থাৎ শুক্ৰাচাৰ্য্যই যদি দণ্ডলৈ অভিশাপ প্ৰদান কৰে, তেনেহ'লে কথা বিষম হ'ব। কিন্তু দণ্ডই অৰজৰ এই কথা কাণতো নুতুলিলে। দণ্ডই যেনেতেনে অৰজক পত্নীৰূপে লাভ কৰাৰ সংকল্প প্ৰকাশ কৰিলে। তথাপি অৰজ অসম্মতা হোৱাত দণ্ডই জে ৰ কৰি হলেও এই ইচ্ছা পূৰণ কৰিব বুলি ক'লে।

অৰজ ঘৰ পোৱাৰ আগতেই শুক্ৰাচাৰ্য্যই সকলো কথা গম পাই গ'ল। তাৰ পাছত, অৰজক প্ৰশ্ন কৰাৰ অন্তত, শুক্ৰচাৰ্য্যাই দণ্ডলৈ অভিশাপ দিলে। এই অভিশাপৰ ফলত মধুমন্ত ৰাজ্যৰ এশ যোজনলৈকে মৰুভূমিৰ সৃষ্টি হ'ল। গুৰু শুক্ৰাচাৰ্য্যৰ অভিশাপ আখৰে আখৰে ফলৱতী হ'ল। দলে দলে মানুহ-মুনিহ মধুমন্ত ৰাজ্য এৰি পলাই যাবলৈ ধৰিলে।

মহামুনি অগস্ত্যৰপৰা এই কাহিনী শুনাৰ অন্তত শ্ৰীৰামচন্দ্ৰই অগস্ত্যমুনিপৰা বিদায় লৈ অযোধ্যালৈ বুলি ৰাওণা কৰিলে।



সুৰাৰ বুদ্ধি

সুপ্ৰাচীন কালত কাশ্মীৰ ৰাজ্যৰ অন্যতম ৰজা আছিল মাধোসিং। ৰজা মাধোসিং ধৰ্মভীৰু কিন্তু বৰ দুৰ্বল মনৰ। তেওঁৰ শাসন কালত কাশ্মীৰৰাজ্যৰ প্ৰজা-সকলে আনকি দুসাজ পেট পূৰাই খাবলৈকো পোৱা নাছিল।

*

কাশ্মীৰ হ'ল পৰ্বতীয়া ঠাই। চাৰিও-ফালে পৰ্বতৰ সমদল। এইবোৰ পৰ্বতৰ-পৰা সবেগে পানী তললৈ নামি আহে আৰু তাৰ ফলত প্ৰায় প্ৰতি বছৰতে বানপানীয়ে প্ৰজাৰ খেতি-বাতি নষ্ট কৰি পেলায়। তাৰ ফলত, প্ৰায় প্ৰতি বছৰতে কাশ্মীৰ ৰাজ্যত আকালৰ সৃষ্টি হয়।

ধৰ্মভীৰু ৰজা মাধোসিঙে ভাবিছিল তেওঁৰ কিবা-নহয়-কিবা পাপৰ ফলত নিশ্চয় এনেবোৰ আকাল-অনাটনৰ সৃষ্টি হৈছে। তেওঁ বিভিন্ন দেৱ-দেৱীলৈ পূজা-উপচাৰ আগ কৰিলে, যজ্ঞ পাতিলে; কিন্তু সেইবোৰেৰে একো সুফল নহ'ল।

*

এদিন ৰজাই এটা অভিনৱ বাতৰি শুনিলে। সুৰা নামৰ মানুহ এজনে হেনো বানপানী নোহোৱা কৰিব পাৰে। তাক ৰাইজে বলিয়া বুলিহে জানে কিন্তু তাৰ এই ক্ষমতাক মানে। অৱশ্যে কিছুমানে সুৰাৰ এইবোৰ ক্ষমতা নাই বুলিও কয়।

কিন্তু যেয়ে যিয়েই নকওক, ৰজাই সুৰাক মতাই পঠালে। আৰু বলিয়া সুৰাই নিৰ্দিষ্ট দিনত নিৰ্দিষ্ট সময়ত ৰজাৰ ওচৰলৈ আহি, ৰজাক নমস্কাৰ কৰি, ৰজাৰ আগত কৰযোৰে স্থিৰ হৈ থিয় হৈ থাকিল।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

ৰজা মাধোসিঙে সুৰাক সুধিলে, "তুমি হেনো বানপানীক ভেটিব পাৰা, নোহোৱা কৰিব পাৰা। কথাষাৰ সঁচানে বাৰু? তুমি বোলে আকাল-অনাটনো দেশৰপৰা নাশ কৰিব পাৰা?"

"মহাৰাজ, বানপানী নহ'লে আকাল-অনাটনো নহ'ব।" সুৰাই বিনম্ৰভাৱে ৰজাক উত্তৰ দিলে।

"কিন্তু—বানপানী নোহোৱা কৰিব পাৰিবা? সঁচা কথা?" ৰজাই সুৰাক সুচিন্তিতভাৱে সুধিলে।

"সেই কথা সঁচা কথা। নিশ্চয় পাৰিম মহাৰাজ।" সুৰাই নিৰুদ্বেগে আৰু সহজভাৱে ৰজাক ক'লে কথাটো।

"যিটো কাম এখন দেশৰ ৰজাই কৰিব নোৱাৰে, তুমি কেনেকৈ কৰিবাহে?" ৰজাই পুনৰ তাক সুধিলে।

"ধন পালেই বন কৰিব পাৰি, মহাৰাজ। ধনেৰে নোহোৱা কাম পৃথিৱীত নাই।" বলিয়া সুৰাই ৰজাক ক'লে।

"ৰাজকোষত যিমান ধন-সোণ আছে—লৈ যোৱা। কিন্তু অহা বছৰত যদি বানপানী হৈছে—তোমাৰ মুণ্ডচ্ছেদ কৰা হ'ব তাকো জানি থ'বা।"

মন্ত্ৰীয়ে উত্তেজিত ৰজাক শান্ত কৰিবলৈ চেষ্টা কৰিও সফল নহ'ল।

*

ৰজাৰ আদেশমতে সুৰাই ৰাজকোষৰ পৰা অজস্ৰ সোণৰ মোহৰ মোনাত ভৰাই ল'লে। সুৰাৰ পিছে পিছে অসংখ্য মানুহো গৈ থাকিল। সিহঁতে সুৰাৰ সম্পৰ্কে বিভিন্ন মন্তব্য কৰি থাকিল। কিছুমানে ক'লে, 'এ—আমাৰ হোজা ৰজাক ঠগি ই বলিয়া বদমাছে ৰজাৰ ধন-ভঁৰাল উদি কৰিলে।' কোনোবাই ক'লে, "এই সুৰা বেকেটামুৰা, ধনখিনি আমাক দিয়া।" কিন্তু সুৰা অটল। কাৰো কথালৈ, কোনো মন্তব্যলৈ কেৰেপো নকৰাকৈ সি গৈ থাকিল···গৈয়েই থাকিল।

দেশত বানপানী হোৱাৰ ঘাই কাৰণ হ'ল—পৰ্বতীয়া নৈৰ গতিপথত থকা ডাঙৰ ডাঙৰ শিলৰ চটা। ইয়াতো, এইবোৰ শিৰল চটা এনেকৈ পৰি আছিল যে ঘাইকৈ এই কাৰণেহে বানপানী সৃষ্টি হৈছিল।

সোণৰ মুদ্ৰা কঢ়িয়াই লৈ সুৱা পাহাৰৰ ওপৰত নৈৰ প্ৰায় উৎসমুখত চাৰিওফালে সিঁচৰতি হৈ থকা অসংখ্য শিলৰ চটাৰ কাষ পালেগৈ। সুৱাই সোণৰ মোহৰেৰে এনেহেন ঠাইত কি কৰে চাবলৈ এহেজাৰ-মান মানুহো তাৰ লগে তালৈ গৈছিল। বানপানীৰ উৎসমূখৰ ওচৰত থিয় হৈ, সুৱাই ইমান কষ্ট কৰি কঢ়িয়াই অনা সোণৰ মুদ্ৰাখিনি শিলৰ চটাবোৰলৈ দলিয়াবলৈ ধৰিলে। যেতিয়া আটাইখিনি সোণৰ মুদ্ৰা দলিউৱা হ'ল, তেতিয়া বলিয়া সুৱা সেই ঠাইৰপৰা গুচি গ'ল।

সুৱাই এই অভাৱিত কামৰ ফলত তাৰ পিছে পিছে অহা মানুহখিনিৰ মাজত আলোড়নৰ সৃষ্টি হ'ল। যেয়ে যেনেকৈ পাৰিলে বিৰাট বিৰাট শিলবোৰ গুচাই সোণৰ মুদ্ৰা বুটলিবলৈ ধৰিলে। সুৱা যে প্ৰকৃততেই বলিয়া, সেই কথাত এতিয়া আৰু কাৰো মনত সন্দেহ নাথাকিল।

শিলৰ চটাবোৰ আঁতৰাই সোণৰ মুদ্ৰাৰ সন্ধান কৰাত শিলত ঠেকা খোৱা জলপ্ৰৱাহ বাধাহীন হ'ল আৰু তাৰ ফলত বানপানী সৃষ্টি হোৱাৰ সম্ভাৱনাও নোহোৱা হ'ল।

এই ঘটনাৰ পাছৰপৰা কাশ্মীৰ ৰাজ্যত কেতিয়াও বানপানীৰ সৃষ্টি নহৈছিল।

বহুতেই সুৱাক বলিয়া বুলি ভাবিছিল, কৈছিল। কিন্তু সুৱাই যেনেকৈ অভিনৱ উপায়েৰে এহেজাৰমান মানুহক কামত লগাব পাৰিছিল আৰু বানপানী প্ৰতিৰোধ কৰাত সক্ষম হৈছিল, তাৰ তুলনা নাই। ৰজাই বিভিন্ন উপহাৰ প্ৰদান কৰি সুৱাৰ এই অভিনৱ কামৰ শলাগ লৈছিল।

আৱজ

ৰসৰাজ আছিল উজ্জয়িনীৰ সভা-কবি। তেওঁৰ পাণ্ডিত্যৰ খ্যাতি দেশে দেশে বিয়পি পৰিছিল। শতাধিক গ্ৰন্থ ৰচি তেওঁ বিপুল খ্যাতিৰ অধিকাৰী হৈছিল। ৰসৰাজৰ পুত্ৰৰ নাম আছিল সোমৰাজ। সোমৰাজেও গ্ৰন্থ ৰচিছিল, যদিও পিতৃৰ দৰে খ্যাতি অৰ্জা নাছিল।

এদিন সোমৰাজে উজ্জয়িনীৰ ৰজা মহেন্দ্ৰপতিক ক'লে, "মহাৰাজ, আপুনি যদি অনুমতি দিয়ে, মই আমাৰ চুবুৰীয়া ৰাজ্যত থাকিব পাৰোঁগৈ। তাত মোৰ মংগল হ'ব।"

এই কথা শুনি অবাক হৈ পৰা ৰজাই সোমৰাজক প্ৰশ্ন কৰিলে, "কিয় ? তোমাৰ দেউতাৰাই তোমাক খাবলৈ-পিন্ধিবলৈ নিদিয়া হ'লনে কি ?"

"এই কথা সত্য হোৱাৰ আগতে মোৰ মৃত্যু হওক, মহাৰাজ !" সোমৰাজে ক'লে।

"তেনেহ'লে—মোৰ ৰাজ্যত বোধকৰো তোমাৰ সুখ-সুবিধা নাই। নহয় জানো ?" ৰজাই পুনৰ সুধিলে।

"চুবুৰীয়া ৰাজ্যত ইয়াতকৈ অধিক সুখ-সুবিধা পাম বুলি মই নাভাবোঁ।"

"তেনেহ'লেনো আন ৰাজ্যলৈ যাবা কিয় ?" ৰজাই সুধিলে।

এই প্ৰশ্নৰ উত্তৰ নিদিয়াকৈ সোমৰাজ তলমূৰ হ'ল। সোমৰাজৰ অৱস্থালৈ লক্ষ্য কৰি মহামন্ত্ৰীয়ে ৰজাক ক'লে, "মহাৰাজ, সোমৰাজক চুবুৰীয়া ৰাজ্যলৈ যাবলৈ অনুমতি দিলে সকলো ফালৰেপৰাই মংগল হ'ব।"

মহামন্ত্ৰীৰ কথা ৰজাই মানি ল'লে, সোমৰাজক অনুমতি প্ৰদান কৰিলে।

সোমৰাজ গুচি যোৱাৰ অন্তত ৰজাই মহামন্ত্ৰীক সুধিলে, "আপুনি সোমৰাজক অন্য ৰাজ্যলৈ যাবলৈ অনুমতি দিবলৈ আৱজ [অনুৰোধ] কৰিছিল কিয় মোক ?"

"কিয়নো—সোমৰাজৰ জ্ঞান গভীৰ।" মহামন্ত্ৰীয়ে ক'লে, "তাৰ পাণ্ডিত্যৰ খ্যাতিয়ে আপোনাৰ খ্যাতিও বৃদ্ধি কৰিব মহাৰাজ !"

চুবুৰীয়া ৰাজ্যলৈ যোৱাৰ কিছুকালৰ অন্তত সোমৰাজ মহাকবি ৰূপে খ্যাত হৈছিল।

উপকাৰ-প্ৰত্যুপকাৰ

৬

এই অচিনাকি যুৱকক যেনেকৈয়েই নহওক ভালকৈ এসেকা দিব বুলি জয়-বিজয় প্ৰতিজ্ঞাবদ্ধ হ'ল। অচিনাকি যুৱকে জয়-বিজয়ৰ ঘৰৰেপৰাই খোৱাবস্তু পোৱা হৈছিল। জয়-বিজয়ে অচিনাকি তান্ত্ৰিক যুৱকৰ খাদ্যত বিষ মিহলাই দিলে। যুৱকে কিন্তু খোৱাবস্তুখিনি স্বাভাৱিকভাৱেই খালে। অচিনাকি যুৱকে খোৱাবস্তুখিনি খোৱাৰ মুহূৰ্তমান পাছৰেপৰাই জয়-আৰু বিজয়ে বাৰে বাৰে বঁতিয়াবলৈ ধৰিলে। আৰু অলপ সময়ৰ পাছত সিহঁত দুটা অজ্ঞান হৈ বাগৰি পৰিল।

বাতৰি পাই সিয়ান গিয়ানী দুটা লৰি আহিল। সিহঁতে সিহঁতৰ ল'ৰা দুটাৰ নাড়ী পৰীক্ষা কৰিলে; কিন্তু নাড়ীৰ গতিৰ সাৰ-সুৰ নাপালে। তেতিয়া জ্ঞানীদ্বয় লৰৰি গ'ল অচিনাকি যুৱকক ওচৰলৈ। যুৱকে গিয়ানী দুজনক ক'লে, "সিহঁতে মোৰ খোৱাবস্তুত চাগৈ বিষ মিহলাইছিল। সেই বিষে মোৰ ভিতৰত কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰিলে। কিন্তু সিহঁতৰ যে কি হ'ল—দেখিছেই। এইবাৰ প্ৰথমবাৰ। প্ৰথমবাৰ কাৰণেহে মই সিহঁতক বচাব পাৰিম। কিন্তু পাছতো যদি এনেবোৰ কাম কৰে, সিহঁতে নিজৰ মৃত্যুক নিজেই মাতি আনিব।" এই বুলি কোৱাৰ পাছত কিছুমান পাতৰ ৰস যুৱকে জয়-বিজয়ৰ মুখত বাকি দিলে।

'বসুন্ধৰা'

আৰু লগে লগে সিহঁত শে ৰ ৰপৰা পোনেই থিয় দিলে। তেতিয়া গিয়ানীদ্বয়ে জয়-বিজয়ক ক'লে, "তোমালোকে এই যুৱকক কেতিয়াও অপদস্থ নকৰিবা।"

জয় আৰু বিজয়ে যুৱকৰ ভৰিত ধৰি ক'লে, "তুমি সঁচাসঁচিকৈয়েই এক আচৰিত আৰু মহান তান্ত্ৰিক। তোমাৰ কোনো অপকাৰ নকৰোঁ—এই কথা আমি বহুদিন বহুবাৰ ভাবিও কৰিবলৈ চেষ্টা কৰিছিলোঁ। এয়া হ'ল আমাৰ লেতেৰা অভ্যাস। আমাক শুধৰোবাৰ দায়িত্ব তুমিয়েই লোৱা, ল'বই লাগিব।"

যুৱকে কেইমুহূৰ্তমান ভাবি লৈ ক'লে, "ঠিকেই কৈছা, তোমালোকক শুধৰোৱাৰ দায়িত্ব মইহে ল'ব লাগিব।" যুৱকে জয়ক ক'লে, "বিজয় ইয়াত থাকিব। কিন্তু তুমি গাঁৱৰ কেইজনমানক লগত লৈ অৰণ্যলৈ যোৱা। তাত যিকোনো এজোপা গছৰ চাৰিওফালে ঘূৰি ঘূৰি মহাবিষ্ণুৰ নাম ল'বা। অলপ পাছত তোমাৰ আগত এগাকী দেৱী আবিৰ্ভূতা হ'ব। তোমালোকে দেৱীক ক'বা যে বিজয়ে তোমালোকক তালৈ পঠিয়াইছে। তেতিয়া সেই দেৱী তোমালোকৰ লগ লাগি এই গাঁৱলৈ আহিব। একমাত্ৰ এই দেৱীয়েহে তোমালোকক শুধৰাব পাৰিব।" অচিনাকি যুৱকে ক'লে।

পাছদিনা জয় আৰু গাঁৱৰ কেইজনমানে অৰণ্যলৈ গৈ মহাবিষ্ণুৰ নাম উচ্চাৰণ কৰি থাকিল।

অলপ সময়ৰ অন্তত বিজয়ৰ লগত অহা মানুহখিনিয়ে চিঞৰি উঠিল, "দেৱী। দেৱী আমাৰ আগত আবিৰ্ভূতা হ'ল!"

জয়িতাই চেতনা হেৰুৱাইছিল। জয়ে—এজন মানুহক পানী লৈ আহিবলৈ ক'লে। মানুহজনে পানী লৈ আহিল আৰু বিজয়ে সেই পানীৰে জয়িতাক সুস্থ কৰি তুলিলে। চকু মেলি চাই জয়িতাই ক'লে, "মই—মই এতিয়া

ক'ত আছোঁ ? তোমালোক কোন ?

জয়ে ক'লে, "আমাক বিজয়ে পঠিয়াইছে। তুমি আমাৰ গাঁৱলৈ যাবানে ?"

বিজয়ৰ নাম শুনি জয়িতাই ভাবি থাকিল ঃ বিজয় — কোন ? আমাৰ অন্তেষপুৰৰ প্ৰহৰীনে কি ? তাই জয়ক ক'লে, "মই তোমালোকৰ গাঁৱলৈ যাম। কিন্তু মই বৰ ক্ষুধাৰ্ত।"

"আমাৰ গাঁৱলৈ ব'লা, তুমি যি খাবা তাকে দিম।" জয়ে ক'লে।

দেৱী বুলি ভাবি ৰাইজে দোলা-এখন লৈ আহিল আৰু দোলাত উঠাই জয়িতাক লৈ গ'ল সেই অজলাগাঁৱলৈ। দোলাভাৰীহঁতে জয়িতাক অচিনাকি যুৱকৰ ঘৰৰ আগত দোলাৰপৰা নমালে।

এই আচৰিত ঘটনা তথা স্বয়ং দেৱীৰ আগমনৰ কথা গাঁৱত বিয়পি পৰাত দেৱীৰ দৰ্শনলাভৰ বাবে বুঢ়া-ডেকা-জীয়ৰী বোৱাৰী গাভৰুহঁত ঢপলিয়াই আহিল। গাঁৱৰ ৰাইজে ভক্তিযুক্ত মনেৰে দেৱীলৈ প্ৰণাম জনালে !

গাঁৱৰপৰা ঢপলিয়াই অহাহঁত যেতিয়া গুচি গ'ল, তেতিয়া অচিনাকি যুৱকে জয়িতাক সুধিলে, "তুমি—কোন ? ক'ৰপৰা এনে অটব্য অৰণ্য পালাহি ?"

যুৱকৰ খাৰাংখাচ প্ৰশ্ন শুনি অলপ



আচৰিত হৈ পৰা জয়িতাই ক'লে, "যদিও তোমাক মই চিনি নাপাওঁ, তথাপি মই তোমাক সঁচা কথা ক'ম, একো লুকঢাক নকৰোঁ।"জয়িতাই যুৱকৰ ওচৰত তাইৰ নিজৰ কাহিনী সবিস্তাৰে ক'লে।

প্ৰত্যুত্তৰত যুৱকেও তাৰ কাহিনী জয়িতাক কোৱাৰ অন্তত মন্তব্য কৰিলে, "এয়া এক বিচিত্ৰ ঘটনা ঘটিল। তুমি কোনোবা এজন বিজয়ক বিচাৰি আন এজন বিজয়ৰ কাষ পালাহি। মই যে জয়-বিজক কিয় তেনেকৈ কৈছিলোঁ ! ইয়াৰে নাম বোধকৰোঁ ভৱিতব্য। দেখাত তোমাকো দেৱী যেনহে লাগে। পিছে—

এতিয়া তুমি কি কৰিবা কোৱাঁ।”

জয়িতাই লাজ লাজকৈ ক'লে, “তোমাক দেখাৰেপৰাই মোৰ মনত আনন্দৰ নিজৰা বৈ গৈছে। লাজম ন কাতি কৰি থৈ হলেও কওঁ—মই তোমাৰ ওচৰতে থাকিম।”

জয়িতাৰ কথা শুনি যুৱকে অস্বস্তিত পৰা যেন হৈ ক'লে, “এই মুহূৰ্তৰপৰা জয়-বিজয়ৰ চৰিত্ৰৰ পৰিৱৰ্তন তথা সিহঁত দুজনক শুধৰোৱাটোৱেই হ'ব তোমাৰ কাম।”

“এইবোৰ মোৰদ্বাৰা নহ'ব। পিছে—তুমি যদি কৰিবলৈ কোৱা—কৰিম।”

তাৰ পাছত যুৱকে জয়িতাৰ বাবে খোৰা-লোৰাৰ বন্দৰস্ত কৰিলে। খোৰা-লোৰাৰ অন্তত জয়িতা গভীৰ টোপনিত আচ্ছন্ন হৈ পৰিল। জয় আৰু বিজয়ে জয়িতাক দেখামাত্ৰেই মুগ্ধ হৈ পৰিছিল। সিহঁত দুটাই জয়িতাৰ কথা মতে সকলো কাম কৰিছিল। তেতিয়া সিহঁতে বেয়া কাম কৰাৰ আহৰিকে নোপোৱা হৈছিল।

এদিন জয়ে জয়িতাক ক'লে, “তুমি ওৰে জীৱনলৈ আমাৰ ওচৰত থাকিলে কথাটো বৰ ভাল হ'ব।”

জয়িতাই খিলখিলাই হাঁহি মাৰি ক'লে, “কিছুদিনৰ পাছত মোৰ যে বিয়া হ'ব—জানানে নাজানা?”

“হওক বিয়া। বিয়া হ'লে কি হ'ব?” জয়ে সৰলভাৱে সুধিলে।

“বাহ্!” জয়িতাই পুনৰ হাঁহি মাৰি ক'লে, “বিয়াৰ পাছত মোক মোৰ গিৰিয়েকে লৈ যাব দেখোন!”

তেতিয়া জয়ে খন্তেকমান ভাবি, গহীনভাৱে ক'লে, “তুমি—মোক বিয়া কৰোৱা যদি?”

জয়িতাই ক'লে, “তেতিয়া বিজয়ৰ খং নুঠিব জানো? বিজয় সন্মত হ'বনে?”

“নহওঁ।” বিজয়ে লগে লগে কৈ উঠিল, “কেতিয়াও সন্মত নহওঁ। তোমাক মইহে কৰাম বিয়া—আৰু কৰাম কালিলৈ।”

আৰু চাওঁতে চাওঁতে সিহঁতৰ মাজত নাই তই নাই মই লাগি পৰিল।

জয়িতাই সিহঁত দুটাক ৰখাই ক'লে, "চোৱাঁ, মই তোমালোকক—মানে—দুয়োজনকে বিয়া নকৰোঁ নহয়? দুজনৰ মাজত যিকোনো এজনকহে বিয়া কৰিম? তোমালোকৰ গাঁৱত থকা অচিনাকি বিদেশী যুৱকে মন কৰিলে কৰিব নোৱাৰা কাম নাই—জানাই কথাটো। এটা কাম কৰা। তোমালোকৰ মাজত যিজনে সেই অচিনাকি বিদেশী যুৱকক হৰুৱাব পাৰিবা, মই সেইজনকহে বিয়া কৰাম।"

লগে লগে জয় আৰু বিজয়ে আৰ্তনাদ কৰাৰ দৰে ক'লে, "শুনা জয়িতা, সেই বিদেশীটো এটা মহাতান্ত্ৰিক। তাক পৰাজিত কৰা একেবাৰে অসম্ভৱ কথা।"

জয়িতাই দৃঢ়তাৰে ক'লে, "চোৱাঁ, মোক যদি সঁচাসঁচিকৈ বিয়া কৰাবৰ মন আছে, যিকোনো কঠিন কাম কৰি দেখুৱাবই লাগিব। চাফ্ চাফ্ কৈছোঁ—বিদেশীটোক পৰাজিত কৰিব নোৱাৰা যদি—মই তোমালোকৰ এজনকো বিয়া নকৰাওঁ নকৰাওঁ নকৰাওঁ। বছ—তিনি সইত।"

জয়ে জয়িতালৈ সন্দেহৰ দৃষ্টিৰে চাই প্ৰশ্ন কৰিলে, "তোমাক বিয়া কৰাম—আমি মানে—আমাৰ দুজনৰ মাজত এজনে। তাৰ লগত বিদেশী যুৱকক পৰাজিত কৰাৰ সম্পৰ্ক কি?"

এই সামান্য কথাটো নুবুজিলা? শুনা তেন্তে। ধৰা—মই তোমালোকৰ মাজত এজনক কৰালোঁ বিয়া। তাৰ পাছত এদিন এই তান্ত্ৰিক যুৱকে মোক ধৰি লৈ গ'ল। তেতিয়া? সেয়েহে কওঁ—বিদেশীটোক আগতে খেদা।"

তেতিয়া জয় আৰু বিজয়ে একেলগে কৈ উঠিল, "ঠিক। ঠিকেই কৈছা তুমি। আমি কালিলৈয়ে তাক তৌবা তৌবা দেখুৱাম।" [অহা সংখ্যাত

বক্ৰপৰা বাজি

বুন্দেলখণ্ডৰ ঠাকুৰ পৰিয়ালৰ একমাত্ৰ বংশধৰ নন্দঠাকুৰক ৰাইজে 'দেৱান ছাহাব' বুলি মাতিছিল। দেৱান ছাহাবৰ আৰ্থিক অৱস্থা নিচেই বেয়া, ঠিকমতে দিনৰ দুসাজ খাবলৈকো নুজুৰিছিল; কিন্তু চাল-চলন দেখি আৰু কথা-বাৰ্তা শুনি প্ৰকৃততেই 'দেৱান ছাহাব'টো যেনেই লাগিছিল। সদায় সকলোকে কথাৰে কোবাই উৰুৱাই নিব পাৰিছিল এই দেৱান ছাহাবে। কাটক নাকাটক দাখন। তেওঁৰ মুখৰপৰা তেওঁৰ বংশগৌৰৱৰ কথা শুনি শুনি ৰাইজৰ কাণ ঘোলা হৈ পৰিছিল।

এদিন দেৱান ছাহাবে এজন মহাজনৰ লগত কথা পাতি থাকোঁতে বহু দূৰৰপৰা এখন গৰুৰ গাড়ী অহা দেখা পাই কৈ উঠিল, "এই হাতীটো দেখিছোঁ বেছ ডাঙৰেই। আমাৰ ককাৰো এনেকুৱা—ইয়াতকৈ মস্ত ডাঙৰ হাতী আছিল।"

মহাজনে ক'লে, "আপোনাৰ ভুল হ'ল হাতী নহয়, ধানৰ বস্তা কঢ়িয়াই লৈ এখন গাড়ীহে আহিব ধৰিছে।"

"হেৰি মহাজন, আপোনাক চলিহাই ধৰা যেন পাইছোঁ। সৌটো এটা বিৰাট হাতীহে।" দেৱান ছাহাবে ক'লে।

"মাফ কৰিব, আপোনাৰ কথা মই মানি ল'ব নোৱাৰিছোঁ। হাতী নহয়, গাড়ীহে।" মহাজনেও দৃঢ়তাৰে ক'লে।

"ঠিক আছে, যদি হাতী মই আপোনৰ মুণ্ড উৰাই দিম। আৰু যদি গাড়ী আহিছে—আপুনি মোৰ ডিঙি ছুছোৱা কৰি পেলাব। এই বাজিত ৰাজী?"

'বুন্দেলখণ্ডৰ লোক-কাহিনী'

মহাজন এই বাজিত ৰাজী হ'ল।

যেতিয়া গাড়ীখন ক্রমাত কাষ চাপিবলৈ ধৰিলে, দেৱান ছাহাবৰ মোচকোচাও ওলমি পৰিবলৈ ধৰিলে। তেতিয়া মহাজনে ক'লে, "দেখিলেনে? ক'লোঁ যে গাড়ী—আপুনি সৰু ল'ৰাহঁতৰ দৰে জেউৰ ধৰিব—হাতী, হাতী! এতিয়া হ'লনে?"

"ওঁ, হ'ল।" দেৱান ছাহাবে ক'লে, "এতিয়া আপুনি মোৰ ডিঙি ঘচং কৰক।"

"ধেৎ—কি যে কয় আৰু নকয়!"

"সেইবোৰ নহৈছে হেৰি। মোৰ ডিঙি আপুনি ঘচং কৰিবলৈ লাগিব। মোৰ কি বোলেনে—বংশমৰ্য্যাদা নাইনে কি?"

এই কথাত তৰ্কবাদ লাগিল। আৰু অৱশেষত মহাজনৰ এই কথাৰ মীমাংসাৰ বাবে দুয়ো বিচাৰক এগৰাকীৰ কাষ চাপিল। সকলো কথা শুনাৰ অন্তত বিচাৰকে ৰায় দিলে:

"মহাজনৰ ইচ্ছা হ'লে দেৱান ছাহাবৰ ডিঙি কাটিব পাৰিব। পিছে—কাৰো হুকুমত নহয়, মহাজনৰ ইচ্ছাতহে এই কাম হ'ব। দেৱান ছাহাবৰ ডিঙি কটা-নকটা মহাজনৰ ইচ্ছা, আন কোনেও মহাজনক এই নিৰ্দেশ দিব নোৱাৰিব।" আনকি দেৱান ছাহাবে ক'লেও নহ'ব।'

বিচাৰকৰ ৰায় শুনি মহাজনে ভালেই

পালে। কিন্তু দেৱান ছাহাবে বিচাৰকক ক'লে, "কিন্তু হুজুৰ তেনেহ'লে—মোৰ মূৰটো ৰক্ষা কৰাৰ দায়িত্ব এতিয়াৰেপৰাই মহাজনক দিয়া হওক।"

দেৱান ছাহাবৰ এই প্ৰাৰ্থনা হাকিমে মঞ্জুৰ কৰাত মহাজনে দেৱান ছাহাবৰ খোৱা-পিন্ধা ইত্যাদিৰ দায়িত্ব ল'বলগীয়া হ'ল। কিছুদিনৰ অন্তত দেৱান ছাহাবৰ বংশমৰ্য্যাদাৰ জোখাৰে খাৱন-পিন্ধন-চলন-ফুৰণৰ বন্দৱস্ত কৰোঁতে মহাজনৰ নিজৰে ভাত উঠোঁ উঠো হ'ল। তেতিয়া মহাজনৰ বন্ধু-বান্ধৱ সকলে মহাজনক এই বিপাঙৰ-পৰা উদ্ধাৰ কৰিবলৈ আঁচনি এটা পাতিলে।

আঁচনি মতে—পাছদিনা মহাজনৰ ঘৰৰ আগেদি এজন মানুহে চিঞৰি চিঞৰি কৈ কৈ গৈ থাকিল—"লাগে—কান লাগে নাক লাগে—দাম দিম যিমান লাগে—"

মহাজনে মানুহজনক সুধিলে, "কি লাগেহে তোমাক— ?"

"মানুহৰ নাক কাণ কিনিম মই।"

"কিমান দাম দিবা ?" মহাজনে ক'লে।

"উচ্চবংশৰ মানুহৰ নাক-কাণ পালে পাঁচশ টকাকৈ দিম।" কিনোতে ক'লে।

দেৱান ছাহাবলৈ আঙুলিয়াই মহাজনে ক'লে. "এওঁ উচ্চবংশৰংশৰ। তুমি এওঁৰ নাক আৰু কাণ কাটি লোৱা আৰু মোক এহেজাৰ টকা দিয়া।"

এই কথা শুনিয়েই দৈবকীৰ গভুৰা ল'ৰা দেৱান ছাহাব কঁপি উঠিল। দেৱান ছাহাবে ক'লে, "এয়া—অন্যায় কথা।"

"কিহৰ অন্যায় ? আপোনাক ময়েই খুৱাইছোঁ-পিন্ধাইছোঁ। আপোনাৰ মূৰটো মোৰ। এতিয়া মোৰ ইচ্ছা হৈছে—দৰ্কাৰ হৈছে—আপোনাৰ নাক-কাণ বেচি দিম।" মহাজনে দৃঢ়তাৰে ক'লে, "বেচিমেই মই।"

আৰু এই কথাত দুয়ো পুনৰ সেই-গৰাকী হাকিমৰ কাষ চাপিল।

সকলো কথা ধৈৰ্য্য ধৰি শুনাৰ অন্তত হাকিমে দেৱান ছাহাবক ক'লে "আপোনাৰ নাক, কাণ আদি বেচাৰ অধিকাৰ মহাজনৰ আছে। যদি আপুনি অসন্মত হয়, তেনেহ'লে মহাজনে আপোনাৰ বাবদে ইমান দিন ধৰি যিখিনি ধন খৰচ কৰিলে—সেই ধনখিনি মহাজনক ওভোতাই দিব লাগিব।"

হাকিমৰ হুকুম বোলা কথা। দেৱান ছাহাব নিৰুপায়ত পৰিল। তেওঁৰ বোপা ককাৰ আমোলৰ যিকণ সা-সম্পত্তি আছিল—বাধ্যত পৰি সেইকণো বেচি দিব আৰু মহাজনৰ ধনখিনি পৰিশোধ কৰি গাঁও লগা হ'ল এৰি গুচি গ'ল।



মৰুভূমিৰ পোক

মৰুভূমিত থকা পোকবিলাকে নিজৰ দেহৰ ওজনৰ সমান খাদ্য খায়। এইবোৰ পোক একেলগে হাজাৰ-বিজাৰ থাকে। একো একোটা দলে এদিনত আনকি ২০,০০০ টন শস্যও খাব পাৰে। ১৭৮৪ খ্ৰিষ্টাব্দত দক্ষিণ আফ্ৰিকাৰ ২.০০০ বৰ্গমাইল বিস্তীৰ্ণ পোকবিলাকৰ বাহিনীক এতিয়ালৈকে পৃথিৱীৰ আটাইতকৈ ডাঙৰ পোক-বাহিনীৰ বুলি গণ্য কৰা হয়।

২০,০০০,০০০--৪০,০০০,০০০ অৰ্থাৎ দুই কৌটিৰপৰা চাৰি কৌটি বছৰৰ মাজত বলু চিথেৰিয়াম নামৰ জন্তুক এতিয়ালৈকে জনা বিৰাট আকাৰৰ স্তন্যপায়ী জন্তু বুলি গণ্য কৰা হয়। এই জন্তুৰ উচ্চতা আছিল ৩৭ ফুট আৰু ওজনত ২০ টনীয়া!



বিৰাট আকাৰৰ স্তন্যপায়ী জন্তু

আমেৰিকাৰ এল্লস্টʼন ন্যাশ্যানাল পাৰ্কত পৃথিৱীৰ আটাইতকৈ মজাদাৰ ‘অʼল্ড ফেইথফুʼল নামৰ গৰম পানীৰ উহ্ আছে। প্ৰতি ৬৬ মিনিটৰ বাদে বাদে এই প্ৰস্ৰৱণৰপৰা ১৪০ ফুট ওখ গৰম পানী ওপৰলৈ উঠে।

গৰমপানীৰ উহ

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৭ চনৰ অক্‌টʼবাৰ সংখ্যাত প্ৰকাশত হʼব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হʼব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৭ চনৰ অগাস্ট মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহʼব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হʼব।

ফটো-নামকৰণ কেৱল পʼষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ জুন মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : কান্দোনৰ নাচন দেখি   দ্বিতীয় ফটো : ককাৰ মুখত সুখৰ হাঁহি

পুৰস্কাৰ প্ৰাপক : অলোক বৰকটকী, কলংপাৰ এল পি স্কুল, দুয়বৰগাঁও।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হʼব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সম্বলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০·০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ
চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

No share prices,
no political fortunes, yet...

"Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma."

– from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.
It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.
More than 80% of The Heritage readers are reading an issue more than once.
And over 90% are slowly building their own Heritage collection.
Isn't it time you discovered why?

CMP-2155

THE HERITAGE

So much in store, month after month.

A Super treat in every sweet!
SUPER SIZE!
SUPER TASTE!
nutrine
SuperStar
Premium toffees
TWIN TREAT
DELITE
TOP CREAM
Heavenly delights
nutrine ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা চকোলেট
নিউট্ৰিন কনফেকশ্যনেৰী কোম্পানী প্ৰাইভেট লিমিটেড, চিত্তুৰ, অ.প্ৰ.
CLARION/NC/8636